গাঁওবোৰৰ বেছিভাগ ঘৰ-বাৰী গছ- গছনি , খেতিপথাৰ আৰু প্ৰায়এক পঞ্চমাংশ লোকৰ জীৱন। চৰকাৰৰ কোটি কোটি টকা ব্যয়ৰে নিৰ্মাণ কৰা মথাউৰি ৰাতিৰ ভিতৰতে ভাঙি ঘটাইছিল সেই ঘটনা। যি ঘটনাই সহস্ৰ জনৰ পৰা কাঢ়ি নিছে বিমল শান্তি তথা জীৱনৰ প্ৰতিথকা মায়া মমতা । হৰি নিছে চকুৰ টোপনি । তাৰ এতিয়াও চকুৰ পৰা মচ খোৱা নাই সেই কাল ৰূপী বাস্তৱ চিত্ৰ।কেনেদৰে নীৰ হাৰা পখীৰ দৰে হিয়া ঢাকুৰি কান্দিছিল গাঁওবাসীয়ে।কেনেদৰে পিছদিনা সাংবাদিক ফটোগ্ৰাফাৰেৰে ভৰি পৰিছিল সিহঁতৰ আশ্ৰয় শিবিৰ । প্ৰতিদিনে খাদ্যৰ অভাৱত মানুহবোৰৰ মাজত হাহাকাৰ লাগিছিল। নানান বেমাৰ জনগনৰ মাজত বিয়পি পৰিছিল। তথাপিও প্ৰতিদিনে কাকতত প্ৰচাবিত হৈছিল চৰকাৰৰ প্ৰয়োজনীয় খাদ্য ,বস্ত্ৰ, ঔষধ যোগান ধৰাৰ বতৰা ।

লুইতৰ এই কালৰূপী বানতে প্ৰাণ হেৰুৱাইছিল মন্‌জিত আৰু অৰুণিমাৰ মাক-বাপেকে। দুয়োয়ে চাৰিওফালে অন্ধকাৰ দেখিলে। এনেকুৱা সময়তে বন্ধক হিচাপে দেখা দিলে মন্‌জিতৰ বন্ধু বিপ্লৱে। বিপ্লৱে ক'লে যে গুৱাহাটীত বন্ধা সিহঁতৰ নতুন ঘৰটো সম্পূৰ্ণ হৈ উঠিছে।গতিকে মন্‌জিতে কিবা এটা উপায় বিচাৰি নোপোৱালৈকে অৰুণিমা সিহঁতৰ ঘৰটোতে থাকিব পাৰিব।মাজে মাজে সি গৈ খবৰ লৈ থাকিলেই হ'ব। সহজ-সৰল মন্‌জিতে বিপ্লৱৰ কথাত সহজে মান্তি হৈ বন্ধুৰ লগত ভনীয়েকক পঠিয়াই দিলে আৰু সি কাম বিচাৰি নগাঁওত উপস্থিত হৈছিল। প্ৰথমে সি হোটেলত গিলাচ ধোৱা ল'ৰা হৈ কাম কৰি জীৱন নিৰ্বাহ কৰিছিল। ধৈৰ্য ধৰি কাম কৰি পিচলৈ সি কাপোৰৰ দোকান এখনত থাকিবলৈ ল'লে আৰু তাৰ সহজ-সৰল ব্যৱহাৰ আৰু গ্ৰাহক আকৰ্ষণ কৰিব পৰা গুণৰ বাবে দোকানৰ মালিকে তাক নিজা বৰীয়াকৈ মাটি কিনি ঘৰ বোনোৱাত সহায় কৰি দিছে। এতিয়া তাৰ আৰ্থিক অৱস্থা ভাল।

' মন্‌জিত মই কথা দিলোঁ, আমাৰ নতুন ঘৰটোলৈ কেইদিনমান পাছতে তোক লৈ যাম।' বিপ্লৱৰ কথাষাৰ তাৰ কাণত আজিও বাজি থাকে। অথচ আজি এই পোন্ধৰটা বছৰত সি তাৰ এবাৰো খবৰ নল'লে। অত বছৰে সি তাৰ ভনীয়েকৰ খবৰ পোৱা নাই। কথাষাৰ ভাবিলে তাৰ দুচকুৰে দুধাৰি চকুলো বাগৰি আহে। গুৱাহাটীৰ বহুতো লোকক সোধ-পোচ কৰিও সি বিপ্লৱহঁতৰ ঘৰৰ কোনো শুংসূত্ৰ উলিয়াব পৰা নাই। অনুসন্ধান বিচাৰি বহুবাৰ বিজ্ঞাপন দিলে। ফলাফল সদায় হতাশজনক। প্ৰতিদিনে চৰম হতাশাত ভোগে সি। দিনে-নিশাই কেৱল ভনীয়েকৰ সপোনেই দেখে সি ।যুঁজি যুঁজিয়েই সি জীয়াই থাকিব বিচাৰে।সি গভীৰ ভাৱে বিশ্বাস কৰে ভনীয়েকক এদিন হ'লেও লগ পাব । সি আশা কৰে যে সি নিজৰ ঘৰৰ পৰা এদিন কইনাৰ সাজেৰে ভনীয়েকক অইন এঘৰলৈ উলিয়াই দিব পাৰিব।

'হেল্লো' মন্‌জিত, মই গুৱাহাটীৰ পৰা কৈছোঁ ।তোমাৰ ভনীয়েৰাৰ সন্ধেদ পাইছোঁ। তুমি এদিন মোৰ দোকানলৈ আহি যোৱা। ''হঠাতে এদিন মন্‌জিতে এই শুভ সংবাদ পালে। সিহঁতে গুৱাহাটীৰ পৰা মাল অনা দোকানখনৰ চেলমেন বামু ছেত্ৰীয়ে তালৈ এই সংবাদ ফোনেৰে জনালে।

মন্‌জিতৰ মনলৈ আহিল অপাৰ আনন্দ , জীৱন যুদ্ধত কৃতকাৰ্য হোৱা যেন অনুভৱ কৰিলে সি। এক ৰঙীন স্বপ্ন সফল হোৱাৰ কামনাৰে সি উপস্থিত হ'ল। আজি ব্যস্ত নগৰী গুৱাহাটীত তাৰ মৰমৰ ভনীয়েকক আবিষ্কাৰ কৰিলে এই পুতিগন্ধময় পৰিৱেশত। মন্‌জিতে নিজৰ চিনাকি দিয়াৰ লগে লগে অৰুৱে হতভম্ব হৈ তাৰ ফালে কিছু সময় থৰ লাগি চাই ৰ'ল আৰু পিচত ফেঁকুৰি ফেঁকুৰি কান্দিবলৈ ধৰিলে। বহু সময় পিচতহে ভাই শান্ত হ'ল আৰু মন্‌জিতক ক'বলৈ ধৰিলে-'' তোক , তোক যে মাতি আনিছে সেইজন মোৰ ল'ৰা । অঁ মোৰ ল'ৰা । পিতৃ কোন জান ? বিপ্লৱ, বিপ্লৱ শইকীয়া , তোৰ বন্ধু, যিজনে মোক গুৱাহাটীলৈ আনিছিল । সেই নিলাজ পশুটোৱে ল'ৰাজন জন্ম হোৱাৰ কেইদিনমান পিচতে মোক ব্যৱসায়ী এজনৰ হাতত বিক্ৰী কৰিছে। তেৱেঁই মোক ইয়াত থাকিবলৈ বাধ্য কৰাইছে। অভদ্ৰ সব, যাৰ কাৰণে আজি মই এই বস্তিৰ গণ্ডিটোত গণিকা হিচাপে জীৱন কটাবলগীয়া হৈছে।আচলতে কি জানা? এনেকুৱা জীৱন কটাবলৈ আমাক বাধ্য কৰোৱা হৈছে। জানোৱাৰবোৰৰ চকুত মই ''পৰী'' হৈ গ'লো। মোক লৈ সিহঁতে টকাৰ বিনিময়ত নিতৌ খেলে।'' বহুদিনৰ পৰা পুঞ্জীভূত হৈ থকা ক্ষোভবোৰ একে উশাহতে তাই কৈ যাব ধৰিলে । তাইৰ আজি লুকুৱাবলৈ একো নাই।

আশাৰ সাগৰৰ মাজতেই ডুব গ'ল বন্‌জিৰ ভটিয়নি নাওঁ। এটি দীৰ্ঘ নিশ্বাস এৰিলে সি। সি সপোনতো ভবা নাছিল যে তাৰ মৰমৰ ভনীয়েক জনী এনেকুৱা পৰিবেশত থাকিব। কি অপৰাধ আছিল বাৰু তাইৰ ? তীব্ৰ ক্ৰোধত গৰজি উঠিল তাৰ অন্তৰ।

বস্তি এলেকাৰ সমস্ত ঘটনাবাজি বুজিবলৈ তাৰ আৰু বেছি সময় নালাগিল। সি ভাবিলেএই ব্যক্তিসকলৰ ডাঙৰ অপৰাধ হ'ল - দৰিদ্ৰতা। কোনোবা সচঁকৈয়ে দৰিদ্ৰ আৰু কাৰোবাক দৰিদ্ৰ সজোৱা হৈছে। প্ৰত্যেক সং ব্যক্তিয়েই নিজৰ পৰিশ্ৰমৰ দ্বাৰা জীৱিকা নিৰ্বাহ কৰা উচিত। এওঁলোক সকলোৱে নিজৰ পৰিশ্ৰমৰ ওপৰত জীয়াই আছে। শ্বঁইতো ঠিকেই কৈছিল - '' তিৰোতাৰ ঋৰণে আন সকলো বাট বন্ধ কাৰণে সিহঁতৰ বহুতে বাধ্য হৈ দেহৰ ব্যৱসায়ত ধৰে ।'' তেন্তে আমি সিহঁতক ঘিন কৰোঁ কিয়? ইয়াৰ বিপৰীতে পুৰুষবোৰ যে কিমান ভয়ানক পলায়নবাদী চোৰ। তেনেহলে তেওঁলোকে সমাজত ভদ্ৰভাৱে জীয়াই থাকিব পাৰে কেনেকৈ?

পৰীক দোষাৰোপ কৰাৰ কোনো কাৰণ বিচাৰি নাপালে বন্‌জিয়ে। নিজকেহে দোষী দোষী অনুভৱ কৰিলে সি। বিতৃষ্ণা জাগিল তাৰ নিজৰ জীৱনৰ বিষয়ে । কেনেদৰে যে কি হৈ গ'ল ! জীৱনৰ সমস্ত ঘটনাবাজি মনত পেলাবলৈ চেষ্টা কৰিলে বন্‌জিয়ে। চকুদুটা মুদি সি ভাবিলে কেনেদৰে সি দোকানত থাকোতে মনজিতৰ পৰা গৈ বন্‌জি হ'ল, কেনেদৰে তাৰ মৰমৰ ভনীয়েক জনী অৰুণিমা গুচি পৰী হ'ল। কেনেদৰে বিপ্লৱে সিহঁতক প্ৰতাৰণা কৰিলে। বন্‌জি মনে মনে থকা দেখি অৰুণিমাই পুনৰ ফেঁকুৰিবলৈ ধৰিলে।

''অ-ৰু-ণি-মা-, চাওঁ এবাৰ হাঁহি দিয়া, ধেৎ আকৰি কান্দিব নাপায় নহয়। চোৱা মই তোমাৰ বাবে কি আনিছোঁ।'' সি তাইলৈ বুলি কেবাবছৰো আগতে কিনা কাপোৰ এযোৰ তাইৰ হাতত গুজি দি পুনৰ ক'লে, -''চোৱা অৰু , তোমাক পাই মই পৰম সন্তোষ লভিছোঁ। আমাৰ দৰে মানুহে দুখ কৰিলে মুখ নভৰে নহয়। জানানে, আমি হাঁহি হাঁহি সংগ্ৰাম কৰি জীয়াই থাকিব লাগিব। হাঁহিবলৈ আমি শিকিব লাগিব। চোৱা, মোৰ ফালে চাই হাঁহি এটি মাৰা।''

অৰুণিমাই হাঁহিবলৈ চেষ্টা কৰিলে।

''অৰু ! মই নিজাকৈ ঘৰ সাজিছো নহয়, এতিয়া আৰু কোনো চিন্তা নাই। আমি পুনৰ একেলগে থাকিব পাৰিম। বুজিছা নে?''

বন্‌জিৰ কথা শেষ হ'বলৈ নিদি অৰুণিমাই তাৰ হাতত ধৰি ক'লে -

'' দাদা, মই আকৌ ভাল হ'ম নহয়নে ? ''

'' বিলু অ' বিলু'', মাকৰ মাতত সি জুপুৰিটোৰ ভিতৰলৈ সোমাই আহিল।'' বিলু , এইজন তোৰ মামা। এইবাৰ তোৰ মামাই আমাক ইয়াৰ পৰা লৈ যাব আহিছে। আমি আৰু ইয়াত থাকিব নেলাগে ।'' বিলুৰ মূৰে গায়ে হাত ফুৰাই অৰুণিমাই ক'লে।

'' মাইজী সঁচা? এই পঞ্চাশ টকীয়াজনে তোমাক একেবাৰে কিনি পেলালে।'' কথাখিনি কৈ বন্‌জিৰ ফালে চাই বিলুৱে হিঃ হিঃ কৈ হাঁহিবলৈ ধৰিলে ।□□□



# এটি সূৰ্য আঁকি দিয়া

□দেৱজিৎ বৰা।
স্নাতক১ম বাৰ্ষিক (কলা শাখা)

" ইয়াতে এটা সূৰ্য আঁকি দিয়া।"ৰঙা ফ্ৰক পিন্ধা, কলা চুলিত বগা ফিটা মাৰা, "কলাবিথিকা" লৈ সেইদিনাই প্ৰথম ছবি আঁকিবলৈ অহা ছোৱালীজনীয়ে মই আঁকি থকা ছবিখন দেখি সেই বুলি কৈছিল। দুখন পাহাৰৰ মাজেৰে বৈ অহা এখনি নৈ, আকাশৰ নীলাৰ মাজত উৰি যোৱা এজাক চৰাই।পাহাৰ দুখনৰ ঠিক ওপৰৰ নীলা ৰঙৰ খালি ঠাই খিনিত এটা সূৰ্য আঁকিবলৈ তাই মোক কৈছিল। নাম তাইৰ চন্দ্ৰামিতা। আমাৰ মহীহঁতৰ গাঁওতে তাইৰ ঘৰ। চিনাকি হৈছিল মোৰ সৈতে তায়েই প্ৰথমতে। মহীহঁতে হেনো কৈছিল তাইক মোৰ কথা। আমাৰ সৰু চহৰখনতেই তাইৰ মোমায়েকৰ ঘৰ। মোমায়েকৰ ঘৰত থাকিয়েই তাই পঢ়িবলৈ আহিছিল গাঁওৰ ঘৰৰ পৰা চহৰলৈ। মই পঢ়া হাইস্কুলখনতে তাই নাম ভৰ্ত্তি কৰিছিল। মইয়ো সেইবাৰ প্ৰথম হাইস্কুলত নাম লগাইছিলো। লাহে লাহে আমাৰ দুয়োৰো মাজত গঢ়ি উঠিছিল অন্তৰঙ্গতা। প্ৰতি দেওবাৰে দুয়ো একেলগে গৈছিলো "কলা বিথিকা" লৈ ছবি আঁকিবৰ বাবে। আমি একেলগে থকা সময়বোৰত বেছিভাগ সময় তায়েই কথা কৈছিল। মই কেৱল হু --হা--! কৰি থাকিছিলো। মোৰ কথা নোকোৱা স্বভাবটোৰ বাবে তাই মোক বোবা বুলি কৈছিল।এই স্বভাবটোৰ বাবে বন্ধুমহলৰ বহুতে মোক বেঙা আৰু দুই এজনে দাৰ্শনিক বুলিও জোকাইছিল। দিনবোৰ পাৰ হোৱাৰ লগে লগে মই চন্দ্ৰাৰ প্ৰতি আকৰ্ষিত হৈছিলো অন্য ধৰণে। মই তাইক ভাবিবলৈ ল'লো বন্ধুত্বতকৈয়ো আগোন বুলি। কিন্তু মোৰ প্ৰয়োজনতকৈ হীনমন্যতা আৰু লাজৰ বাবে মোৰ মনৰ কথাবোৰ কেতিয়াও ক'ব নোৱাৰোঁ।


আমি মেট্ৰিক দিয়া বছৰ শইকীয়া ছাৰৰ ওচৰত দুয়ো অংক শিকিবলৈ গৈছিলো। পৰীক্ষাৰ বাবে ভালদৰে সাজু হ'ব লগা কাৰণে কেইমাহ মান আমি "কলা বিথিকালৈ" যোৱাতো বন্ধ কৰিছিলো। পৰীক্ষাত আমি দুয়ো সুখ্যাতিৰে উত্তীৰ্ণ হ'লো। চহৰৰ কলেজতে মই নাম ভৰ্ত্তি কৰিলো। চন্দ্ৰাক সেইবাৰ চহৰৰ পৰা গাঁওৰ ঘৰলৈ লৈ গ'ল। গাঁওত এখন নতুনকৈ কলেজ আৰম্ভ কৰিছিল। মাকহঁতৰ মতে ছোৱালী মানুহ গাঁওৰ কালজতে পঢ়িলেও হ'ব। চন্দ্ৰাই অনিচ্ছা মনেৰে গাঁওৰ কলেজত নাম ভৰ্ত্তি কৰিলে। প্ৰথমতে চিঠি পত্ৰেৰে আমাৰ যোগাযোগ অক্ষুন্ন আছিল। কেৰ--কেৰ্! দৰ্জাখনৰ শব্দটো শুনিহে মই বাস্তৱলৈ ঘূৰি আহিলো। ইমান পৰে সোঁৱৰণিৰ ডেউকাৰে উৰি ফুৰিছিলো অতীতৰ দিনবোৰত। এতিয়াহে সম্বিত আহিল যে এই মুহূৰ্তত মই চন্দ্ৰাহঁতৰ ঘৰত আছো। দুৱাৰখনত ওলমি থকা সেউজীয়া পৰ্দাখন একফালীয়া কৰি কোঠাটোলৈ সোমাই আহিল চন্দ্ৰাৰ মাক। মানুহ জনী অকণ খিনাইছে, মূৰৰ বগা চুলিৰ সংখ্যা বৃদ্ধি হৈছে। চন্দ্ৰাহঁতৰ ঘৰলৈ আগতে আহোতে চন্দ্ৰাৰ মাকক কেতিয়াও ইমান বিমৰ্ষ হৈ থকা দেখা নাছিলো, আজি যেনেকৈ দেখিছোঁ।

" আমাৰ এইৰ কথাবোৰতো শুনিছাই! বেছেৰীজনীক লৈয়ে ঘৰখনৰ আটাইৰে চিন্তা। ভৱাই নাছিলো এই বয়সতে যে তাই ইমান ডাঙৰ বিপৰ্যয়ৰ মুখামুখী হ'ব লাগিব।"-চন্দ্ৰাৰ মাকে মোৰ আগত ক'বলৈ আৰম্ভ কৰিলে,"তাইয়ে ঘৰৰ ডাঙৰজনী ছোৱালী। সেইদিনা গৈ আমি তাইক ইয়ালৈয়ে লৈ আহিলো। কিমান হেপাহেৰে যে উলিয়াই দিছিলো তাইক। বিয়া হোৱাৰ তিনি মাহ পূৰ হৈছিল হে মাথোঁ।" মাকে চন্দ্ৰাৰ কথাই কৈছে। তাইৰ সকলোবোৰ কথাই মই শুনিছোঁ। চন্দ্ৰাৰ বিয়াৰ নিমন্ত্ৰণ তাইয়ে আমাৰ ঘৰলৈ গৈ কৰি আহিছিল। তাই মোক দঢ়াই দঢ়াই কৈছিল বিয়াত উপস্থিত থাকিবলৈ। মোৰ আশীৰ্বাদ নহ'লে হেনো তাইৰ বৈবাহিক জীৱনটোৱে সুখৰ নহব। কিন্তু মই তাইৰ বিয়াত তাইক আশীৰ্বাদ দিবলৈ অহিব নোৱাৰিলো। বিভিন্ন আজুহাত দেখুৱাই মই তাইৰ বিয়ালৈ নাহিলো। দেউতাক - মাক আৰু বাইজৰ আশীৰ্বাদ লৈ তাইৰ বিয়া হৈ গ'ল পুলিচ বিষয়া তাৰপদ দত্তৰ সৈতে। সুখ আনন্দৰে পাৰ হৈছিল যুগ্ম-জীৱনৰ প্ৰতিটো দিন ৰাতি। কিন্তু সকলো সুখ-আনন্দ এদিন চূৰ্ণ বিচূৰ্ণ হৈ গ'ল। সেইদিনা হয়তো চন্দ্ৰাই ব্যস্ত আছিল ঘৰুৱা কিবা কামত। আৰু সেই সময়তে কোনোবাই অভাৱনীয়, দুখ লগা খবৰটো দি গৈছিল -" উগ্ৰপন্থীৰ সৈতে হোৱা এক সংঘৰ্ষত ঘটনা স্থলীতে তাৰাপদ দত্তৰ ..... কেৰ্ ...... কেৰ্। আকৌ দৰ্জাখনৰ শব্দত বাস্তৱলৈ ঘুৰি আহিলো। সেউজীয়া পৰ্দাখন একফালীয়া কৰি এইবাৰ কোঠাটোলৈ সোমাই আহিল বগা সাজ পৰিহিতা এজনী গাভৰু। আউলী বাউলী চুলি, গাঁতলৈ সোমাই যোৱা চকু, চকুৰ তলত কলা দাগ, উকা কপাল,---- এইজনী ---- এইজনীয়েটো চন্দ্ৰা। তাইৰ ওপৰেৰে যেন এইমাত্ৰ পাৰ হৈ গৈছে এজাক ধুমুহা। সেই ধুমুহাই কাঢ়িলৈ গ'ল তাইৰ সোণালী সপোন, আশা- আকাংক্ষা।সকলো হেৰুৱাই সেই ধুমুহাৰ পৰা তাই নিজকে কোনোমতে চম্ভালিলে। " তুমি আহিছা ! আমাক পাহৰি যোৱা বুলিয়ে ভাবিছিলো। " মোৰ সন্মুখৰ চকী খনত বহি কোৱা তাইৰ এই কথা খিনিত অভিমান নে বেদনা মিহলি হৈ আছে মই ধৰিব নোৱাৰিলোঁ, মাথোঁ তাইৰ বগা সাজযোৰলৈ চাই মই ভাবিলো - এই যোৰত ৰঙা- নীলা পখিলাৰ ছবি আঁকি যদি ৰঙীন কৰি দিওঁ, তেতিয়া বাৰু চন্দ্ৰাক কেনেকুৱা দেখিব।

মই একো নোকোৱা বাবে তাই ক'লে " তুমি এতিয়াও বোবা হৈয়ে আছা "। কিবা ক'ম বুলি সাজু হৈছিলো যদিও মোৰ আৰু কোৱা নহ'ল, মাথোঁ একে থৰে চন্দ্ৰাৰ বিমৰ্ষ মুখখনলৈ চাই থাকিলোঁ। তাইৰ ওঠ দুখনে যেন কিবা এটা ক'বলৈ আকুল হৈ আছে। তাই যেন মোক ক'ব বিচাৰিছে - " ইয়াতে এটি সূৰ্য আঁকি দিয়ানা ! মোৰ উকা কপালখনৰ ঠিক সোঁমাজতে ..! □□□

# সম্বন্ধ

□ শ্ৰীধীৰাজকুমাৰ ৰাভা
স্নাতক ২য় বৰ্ষ (কলা শাখা)



বি,এ, কাইলেল পৰীক্ষাটো দি চহৰৰ পৰা আজি কিছুদিন আগতে সুব্ৰতে গাঁওৰ ঘৰ পাইছেহি। পৰীক্ষাৰ সাংঘাটিক ব্যস্ততাৰ অন্তত সুব্ৰতে এই কেইদিন মনটো একেবাৰে পাতল পাতল অনুভৱ কৰিছে।কলেজীয়া জীৱনৰ বহুতো কথাই মনত ভোলা দিছেহি। তাৰ মাজতে পূৰ্বৰ অভ্যাস হেতুকে মাজে মাজে সি দুই এটা ঘৰুৱা কামো কৰিব ধৰিছে। কেতিয়াবা দুই এখন আলোচনীৰ পাতত চকু ফুৰায় আৰু কেতিয়াবা গাঁওখনত থকা সৰু লাইব্ৰেৰীটোৰ ফালে ওলাই যায়। গাঁওৰ ডেকা বোৰৰ লগত থাকিলে আজৰি সময়খিনি কেনেকৈ পাৰ হৈ যায় সুব্ৰতে গমকে নেপায়। ডেকাহঁতে যিহে জমনি পাতে, পথুলি পাৰ হৈ কেতিয়া মাজনিশা হয় সিহঁতৰ উম ঘামেই নেথাকে। সিহঁতৰ কথাৰ মাজেতে সুব্ৰতে আজি কলেজীয়া জীৱনৰ বিশেষ ঘটনা এটি ক'বলৈ স্থিৰ কৰিলে।

বিক্ৰম সিং মানে আমাৰ কলেজৰ বিক্ৰমদা কলেজখনৰ হিৰো। ইতিমধ্যে বিক্ৰমদাৰ নেতৃত্বত দলবোৰে নৱাগত সকলক ৰেগিং আৰম্ভ কৰি দিছে। সেইদিনা বিক্ৰমদাৰ ৰেগিং দলটোৰ চিকাৰ হৈছিল অঞ্জলি। সিহঁতে তাইক ক্লাচত সোমোৱাৰ আগে আগে কাষত পেলালে। বেচেৰীৰ ভয়তে পেটত হাত ভৰি লুকাল। ৰেগিং মাষ্টাৰ বিক্ৰমদাই প্ৰশ্ন কৰিলে।

" তোমাৰ নাম-ধাম -কাম কি ?"

"মিচ্ অঞ্জলি দেৱী। ধাম - মধ্যপুৰ,কাম- বৰ্তমান পঢ়াশুনা।"

"ইংৰাজীত কিমান পাইছা?"

"পয়সত্তৰ।" অঞ্জলিয়ে ভয়ে ভয়ে উত্তৰ দিলে।

"বেচ ভাল নম্বৰ বাখিছা। পেৰেম-চেৰেমৰ ধান্দা নাই হবলা?তোমাৰ proposal আছে নেকি ?" বুবুলে ওপৰতে সুধিলে।তাই কি উত্তৰ দিব ভাবি নেপাই মনে মনে থ'ল।

"বুজা নাই মানে lover আছে নে নাই ?" বুবুলে খং দেখুৱাই সুধিলে।

"নাই।" সেপ ঢুকি অঞ্জলিয়ে উত্তৰ দিলে।

"বিজ্ঞানত কিমান পাইছা" ?

"আশী।"

"লেটাৰ মাৰিছা দেখোন, তেন্তে কোৱাচোন , দেহৰ কোন অংশত আঘাত কৰিলে পানী ওলায় ?"

অঞ্জলি বিমোৰত পৰিল। তাই উত্তৰ বিচাৰি পোৱা নাই, অথচ বিজ্ঞানত লেটাৰ পাইছে। তাই নীৰৱে থাকিল। তাইতো বিজ্ঞানত এনেকুৱা প্ৰশ্ন পোৱা মনত নপৰে।

"কি হ'ল মিচ্ অঞ্জলি দেৱী ? উত্তৰ নাই দেখোন? বৰকৈ ঘামিছা দেখোন? পদুম পাতেৰে বিচি দিম নেকি?" অঞ্জলিৰ নীৰৱতা দেখি এইবাৰ বিক্ৰমদাই তাইক লাহেকৈ চৰ এটা মাৰি দিলে। তাই কান্দি পেলালে। তাইৰ ভেজ গোৱা দুগালেদি চকুপানী বৈ আহিল। বিক্ৰমে তাচ্ছিল্যৰ সুৰত কলে- " এতিয়া উত্তৰটো পালা নে অঞ্জলি দেৱী? মোৰ কোমল আঘাতত তোমাৰ চকুৰে পানী ওলাইছে।"

এটি উত্তপ্ত পৰিৱেশ। অঞ্জলিৰ কান্দোনৰ মাত্ৰা চৰিল। আহাৰ মহীয়া খাওঁ খাওঁ ৰ'দত গছৰ ছাঁত ল'ৰা ছোৱালী বিলাকে জুৰ লৈছে। সাগৰ বৰুৱাই এখন দৈনিক কাকতৰ শিৰোনামৰ ওপৰত তাৰ বন্ধু কেইজন মানৰ স'তে আলোচনা কৰি আছিল। এনেতে সাগৰৰ চকু পৰিল ৰেগিঙৰ দলটোৰ ওপৰত, সিহঁতৰ মাজত এজনী ছোৱালীয়ে কান্দি আছে। সাগৰৰ বুজিবলৈ বাকী নাথাকিল, বিক্ৰমৰ দলটোৱে নিশ্চয় সেই ছোৱালী জনীৰ ওপৰত শাৰীৰিক অত্যাচাৰ আৰম্ভ কৰিছে। সাগৰ ৰেগিঙৰ সম্পূৰ্ণ বিৰোধী। আচলতে সি এনেকুৱা যুক্তিহীন, অমানবীয় কাৰ্য্যবোৰক ঘৃণা কৰে। সি অলপো দেৰি নকৰি ৰেগিঙৰ দলটোৰ ফালে খোজ ল'লে।

"ঐ তহঁতে ছোৱালী বিচাৰি নাপালি ? মোৰ ভনীজনীকহে পালি? " সাগৰে দলটিক উদ্দেশ্য কৰি ক'লে। সিহঁতৰ মাজৰ পৰা সি ছোৱালীজনীক লৈ গ'ল।

"বা ৰ তোৰ ভনী, কাইলৈ কিজানি প্ৰেয়সীহে হ'ব। ভনী বুলি

কৈ জীৱন সংগী কৰি লোৱা বহু দেখিছো।'' কাজলে বিদ্ৰুপৰ সুৰত ক'লে। সাগৰে সিহঁতৰ লগত তৰ্ক কৰিব নিবিচাৰিলে। তৰ্ক কৰিয়ে বা কি লাভ। গৰুৰ আগত টোকাৰী বজোৱা যি মূল্যহীন সিহঁতৰ লগত তৰ্ক কৰাও সেই একে কথা। আচলতে ছোৱালীজনী তাৰ কোনো ভনী অথবা চিনাকিও নহয়। কেৱল বেঁগিঙৰ চক্ৰ বেহুৰ পৰা উদ্ধাৰ কৰিবলৈহে ভনী বুলি কৈছিল। অঞ্জলিয়ে শাৰীৰ আঁচলেৰে চকু পানী মচি উপকাৰীৰ কৃতজ্ঞতা স্বীকাৰ কৰি সাগৰক ধন্যবাদ জনালে। সাগৰে কি ক'ব নক'ব ভাবি নাপাই তাইক নামটোকে সুধিলে। ইতিমধ্যে তাই নকৈ চিনাকি হোৱা বান্ধৱীবোৰ ক্লাচত সোমাইছিল। তাই ঘড়ীটোলৈ চাই বুজিলে ক্লাচত সমোৱাৰ আৰু সময় নাই। সাগৰে তাইক দুই এটা কথা সুধি গৈছে আৰু তাই লাজ লাজকৈ উত্তৰ দি গৈছে। এই চিনাকিৰে দুয়োৰো মাজত সম্পৰ্ক আৰম্ভ হ'ল আৰু সাগৰে হঠাতে আবিষ্কাৰ কৰিলে যে অঞ্জলি তাৰ সঁচাকৈয়ে আপোন ভনী। অঞ্জলিয়েও সাগৰক আপোন ককায়েকৰ দৰেই জ্ঞান কৰিছিল। তাইৰ নিজা ককায়েক নোহোৱা অভাবটো যেন পূৰণ হৈছিল।

এনেদৰে সময়বোৰ বাগৰি গ'ল। নৱাগত আদৰণি সভা পাতি পুৰণি ছাত্ৰ- ছাত্ৰীয়ে নতুন ছাত্ৰ- ছাত্ৰীক আনুষ্ঠানিকভাৱে আদৰি ল'লে। পুৰণি ছাত্ৰ একতা সভাৰ আয়ুস টুটি নিৰ্বাচনীৰ দুন্দুভি বাজিল পালেহি। সাগৰৰ বন্ধু দীনেশে আলোচনী পদত প্ৰতিদ্বন্দ্বিতা কৰিছে। দীনেশক জিকাবৰ বাবে সাগৰে যথেষ্ট স্বীকাৰ কৰিছে। অঞ্জলিও পিছপৰি নাথাকিল। ভোট দিয়াৰ আশ্বাস দি কোনে কাৰ পৰা কিমান চাহ- মিঠাই গিলিছে তাৰ হিচাপ নাই, সেয়া বহিম ছাহাৰ ৰেষ্টুৰেন্টৰ হিচাপৰ বহীখন দেখিলেহে ক'ব পাৰি।

নিৰ্দ্ধাৰিত তাৰিখ মতে নিৰ্বাচন আৰম্ভ হ'ল। সকলোৱে নিজ নিজ প্ৰাৰ্থীজনক ভোট প্ৰদান কৰিলে। এটা সময়ত ভোটদান কাৰ্য সমাপ্ত হ'ল। দীনেশৰ ভোট গণনাত অঞ্জলিও থাকিব লগা হ'ল। অৱশেষত দীনেশে তাৰ বিপৰীত প্ৰতিদ্বন্দ্বী প্ৰাৰ্থী তিনিজনক বিপুল ভোটত হৰুৱাই আলোচনী সম্পাদকৰ পদত জয়ী হ'ল। বন্ধুসকলে দীনেশক বিজয়ৰ অভিনন্দন জনালে। চাৰিওফালে হুলস্থুলীয়া পৰিবেশ। বিজয় উল্লাসত মজি থাকোতে কেতিয়া সন্ধিয়া হ'ল অঞ্জলিয়ে গমকে নেপালে। কলেজৰ পৰা অঞ্জলিহঁতৰ ঘৰলৈ তিনি কিলোমিটাৰ মান দূৰ হ'ব। অকলে তাই ঘৰলৈ কেনেকৈ যাব? যিহে দিন কাল পৰিছে। ছোৱালী মানুহ অকলে ঘূৰি ফুৰাটো বিপদ। এফালে বিপ্লৱী যুৱকৰ মাৰণাস্ত্ৰৰ ঝংকাৰত সংকিত জনতা, আনফালে বিপ্লৱী নেতাৰ অনুসন্ধানত গাঁৱে- ভূঞে পিয়াপী দি ফুৰা মাতাল মিলিটাৰীৰ নিষ্ঠুৰ আক্ৰমণত কোনো জীয়াৰী বোৱাৰীৰ সতীত্ব হৰণ। আনকি অকুমাৰী কিশোৰীও সিহঁতৰ বলী হ'ব লগা হৈছে। কথাটো ভাবি অঞ্জলিৰ মুখৰ বৰণ সলনি হৈ গ'ল। পৰিস্থিতি বুজি সাগৰে তাইক ঘৰত থৈ অহাৰ দায়িত্ব ল'লে। দীনেশ আৰু বন্ধুবোৰৰ পৰা বিদায় লৈ অঞ্জলি সাগৰৰ বাইকত উঠি ঘৰমুৱা হ'ল। গাঁৱলীয়া একা বেকা কেঁচা ৰাস্তাটোৰে গৈ ঘৰ পাওঁতে সিহঁতৰ প্ৰায় আধাঘণ্টা মানেই লাগিল। পদূলি মুখত বাইকৰ হৰ্ণ শুনি অঞ্জলিৰ সৰু ভনীয়েক আগবাঢ়ি আহিল। অচিনাকি ল'ৰা এজনৰ লগত তাই বায়েকক দেখি কিছু থত মত খালে। অঞ্জলিয়ে সাগৰক ঘৰৰ ভিতৰলৈ মাতি নি মাক আৰু দেউতাকৰ লগত চিনাকি কৰি দিলে। ভালে কুশলে অঞ্জলিক ঘৰলৈ অনা বাবে দেউতাকে সাগৰক প্ৰশংসা কৰিলে। মাকে চাহ- জলপান আগবঢ়ালে। মাজে মাজে তেওঁলোকৰ ঘৰলৈ আহিবলৈ মাকে অনুৰোধ কৰিলে। অঞ্জলিৰ পৰা বিদায় লৈ সাগৰে পোনে পোনে দীনেশৰ কমলৈ আগবাঢ়িলে।

দীনেশে কমত ডাঙৰ পাৰ্টী যোগাৰ কৰিছে। ইতিমধ্যে খানা ৰেডি। সাগৰে দেখিলে টেবুলত কেইটামান বিয়েৰৰ বটল, ছাগলীৰ মাংস, ভজা মাছ আৰু বহুত কিবা কৰি। খোৱা আৰম্ভ হ'ল। দীনেশে সকলোকে গিলাচে গিলাচে বিয়েৰ ঢালিবলৈ অকনো কাৰ্পণ্য কৰা নাই। মাথোঁ সাগৰেহে তাত ভাগ লোৱা নাই। সেইখন মায়া জালত সাগৰ এতিয়ালৈ সোমোৱা নাই।

"সাগৰদা, এঢোক নিগিলা নেকি ?"

"নাই, মোৰ সেইবোৰ নচলে।"

" হেই তই নাজান নেকি, সেইবোৰ খালে তাক ভনীয়েকে গালি দিব।" দিলীপে ইতিকিঙৰ সুৰত ক'লে।

অঞ্জলিৰ কথা ওলোৱাত সাগৰে ভালেই পালে। সি প্ৰশংসা সূচক ভাৱে ক'লে " ছোৱালী জনীক মোৰ বৰ ভাল লাগে -। দেখাতো ধুনীয়া, স্বভাৱো ভাল যেন লাগে।"

"তই ভনী বুলি সম্বন্ধ কৰি ভুল কৰিলি। ভনী বুলি নকৈ এনেয়েতো মাতিব পাৰিলি হেঁতেন।"

"সেইটোৱেইটো ভুল হ'ল।" দীনেশৰ কথাৰ লগতে সুৰ মিলাই বুবুলে ওপৰতে ক'লে-" বাদ দে তোৰ ভনী সম্বন্ধ। কৰিলোৱা ভনীহে, নিজৰটো নহয়। " সাগৰে অনুভৱ কৰিলে সিহঁতে যেন তাৰ মনৰ কথাটোকে কৈছে। এই কথাটোৱে তাক কেইদিন মানৰ পৰা যাতনা দি আছে।

"এতিয়াও সময় পাৰ হৈ যোৱা নাই সাগৰদা, এতিয়া আৰম্ভণিহে।" বুবুলে মন্তব্য দিলে। দীনেশৰ পৰা বিদায়লৈ সকলো ঘৰা ঘৰি গ'ল। সাগৰে বিচনাত দীঘল দি পৰিল, দিনটোৰ পৰিশ্ৰমে তাক বৰ ভাগৰুৱা কৰি তুলিছে। অঞ্জলিয়ে দিয়া ৰুমালখন সি আলফুলে মেলি চালে। তাত হাতেৰে এমব্ৰইদাৰী কৰা " Do not forget me" বাক্যটি যেন উদ্দেশ্য কৰিয়ে কৈছে এনে ভাব হ'ল। সি চকুকেইটা মুদি ভাবিলে ' অঞ্জলি মোৰ জীৱনৰ প্ৰথম নাৰী। তাই মোৰ হৃদয়ৰ ৰাণী। সঁচাকৈয়ে যদি মই তাইক চিৰদিনৰ বাবে বুকুৰ মাজত ৰাখিব পাৰিলোহেঁতেন। কিন্তু ই কেনেকৈ সম্ভৱ হ'ব। তাইতো মোৰ দুৰ্বলতাৰ কথা নাজানে। তাইৰ আচৰণত কেতিয়াও দুৰ্বলতা প্ৰকাশ পোৱা নাই। তাই যি ভাবে নলওক কিয় সম্বন্ধ গঢ়ি উঠিছে যেতিয়া তাক স্থায়ী কৰিব লাগিব। সি সিদ্ধান্ত লৈ ল'লে।

সাগৰে এই বিষয়ে দীনেশৰ লগত কথা পাতিলে। দীনেশ চিধা চাধা মানুহ। সি কৈয়ে দিলে- " পিয়াৰ কিয়াটো ডৰনা কিউ। তাইক মনৰ কথাটো খোলাখুলি কৈ দিবা বচ, খেলা খতম।" পিচদিনা সাগৰে অঞ্জলিক লগ ধৰিলে। মিচিকিকৈ হাঁহি এটা মাৰি তাই সাগৰৰ খবৰ ল'লে। এই হাঁহিটোৰ বাবেই সাগৰৰ তাইৰ প্ৰতি ইমান দুৰ্বলতা। তাই সাগৰক অহাৰ উদ্দেশ্য সুধিলে।

"উদ্দেশ্য ডাঙৰ।"

"কিনো ডাঙৰ ?"

"ইয়াত ক'ব নোৱাৰি ; সৌ নাহৰ জোপাৰ তললৈ যাওঁ ব'লা।"

অঞ্জলিৰ অলপ চিন্তা হ'ল। ভয়ো খালে জানোচা তাই কিবা জগৰ লগাইছে। সাগৰেও কথাতো ক'ৰপৰা আৰম্ভ কৰিব ঠিক কৰিব পৰা নাই। তাৰ কপালত ঘাম বিৰিঙি উঠিল। ভয়, হ'ল জানোচা কথাটো কোৱাৰ লগে লগে তাই তাক স্বাৰ্থপৰ, প্ৰৱঞ্চনাকাৰী বুলি তিৰস্কাৰ কৰে।

সাগৰৰ অৱস্থা দেখি অঞ্জলিয়ে সুধিলে " কি হ'ল সাগৰদা ? আপোনাৰ গা বেয়া নেকি ? মই একো ধৰিব পৰা নাই। মই কিবা ......."

"নহয়, মানে আমাৰ Relation টো স্থায়ী ....."

"অ' সেইটো কথা ? দূৰলৈ বিয়া হৈ যাম বুলি ভয় কৰিছা? ঠিক আছে, দূৰলৈ নাযাওঁ বাক আপানাৰ পচন্দ মতে ওচৰতে দৰা চাব, তেতিয়া চেনেহৰ ভনীৰ সদায় দৰ্শন পাব।"

"ঠিক মই সেইটো ক'ব বিচৰা নাই। মানে আমাৰ সম্বন্ধটোৰ বিষয়ে

তোমাৰ ধাৰণা কি?"

"আপুনি কি বাৰে বাৰে সম্বন্ধৰ কথা কৈ আছে মই একো বুজা নাই ।ঠিক আছে- আপুনি যদি এতিয়াও মোক বিশ্বাসত লব পৰা নাই তেনেহলে মন্দিৰলৈ গৈ ভগবানক সাক্ষী কৰি আমাৰ সম্বন্ধটো স্থায়ী কৰি আপোনাৰ মনৰ সন্দেহ দুৰ কৰিম।"

" হ'ব তেনে, আজিয়ে দিন বাৰ ঠিক কৰি লোৱা। "

"দেওবাৰ দিনটো কেনে হ'ব?"

" তোমাৰ ইচ্ছা ।"

"তেনেহ'লে তুমি সেই দিনা দহ বজাত শিৱ মন্দিৰলৈ গৈ থাকিবা।"

কথাখিনি কৈ সাগৰে স্বস্তিৰ নিশ্বাস পেলালে। যিটো কথাই সাগৰৰ মনটো ইমান দিনে অশান্ত কৰি ৰাখিছিল আজি অঞ্জলিৰ কথাই তাৰ সকলো দুঃচিন্তা দূৰ কৰিলে।

কথামতে দেওবাৰে দুয়ো মন্দিৰত উপস্থিত হ'ল। সাগৰ আজি অতি সুখী। কিয়নো তাৰ বহুদিনৰ আশা এটি পূৰণ হ'ব। অঞ্জলিও আনন্দিত কিয়নো সাগৰৰ অন্তৰত ইমান দিনে বাস কৰি থকা অবিশ্বাসটো আঁত ৰাই তাই আজি সিহঁতৰ সম্বন্ধটো স্থায়ীকৈ প্ৰতিষ্ঠা কৰিব পাৰিব। চ'ত মাহৰ উকা পৰিৱেশ। মন্দিৰৰ শঙ্খ ঘণ্টাৰ ধ্বনি আৰু ধূপ-ধূনাৰ গোন্ধে পৰিৱেশটো আনন্দময় কৰি তুলিছে। সাগৰ আৰু অঞ্জলিয়ে শিৱ লিংগৰ আগত আঠু ল'লে । পূজাৰীয়ে মন্ত্ৰ পাঠকৰি আশীৰ্বাদ দি দুয়োকে নিৰ্মালি দি ফোঁট আঁকি দিলে। অঞ্জলিয়ে সাগৰৰ হাত এখন আগুৱাই দিবলৈ ক'লে। চকু দুটা মুদি সাগৰে সোঁহাতখন আগবঢ়াই দিলে। অঞ্জলিয়ে তাইৰ সক বেগটোৰ পৰা ৰাখী এডাল উলিয়াই সাগৰৰ হাতত পিন্ধাই দিলে। সাগৰ অভিভূত হৈ পৰিল । কিন্তু চকু দুটা মেলি সাগৰে চিঞৰি উঠিল-"অঞ্জলি এয়া তুমি কি কৰিলা?" তাৰ ওঠ দুটা কঁপি উঠিল, তাই যেন তাৰ হাতত এডাল বিষাক্ত সাপহে মেৰিয়াই দিছে। ভৰিৰ তলুৱাৰ পৰা পৃথিৱীখন খহি পৰা যেন অনুভৱ হ'ল তাৰ। অঞ্জলিয়ে যেন তাৰ বুকুত এপাত শেলহে বহুৱাই দিলে। তাৰ মুখৰ বৰণ সলনি হৈ গ'ল। ঢলং পলংকৈ সি কোনোৰকমে বেৰখনত ধৰি ঠিয় হ'ল। তাৰ অৱস্থাটো দেখি অঞ্জলি অবাক হ'ল। তাই কি ভুল কৰিলে তাই বুজি নাপালে। মাথোঁ বিষণ বদনে ঘৰলৈ উভতিল।

সাগৰৰ মূৰত যেন সৰগখন ভাগি পৰিল । সি দেহৰ সৰ্বশক্তি হেৰুৱাই পেলালে। অঞ্জলি অবিহনে তাৰ জীৱনটো নিৰৰ্থক যেন লাগিল। জীয়াই থকাৰ মোহ নাইকিয়া হ'ল। খোৱা লোৱা পঢ়াৰ প্ৰতি সমূলি পিঠি দিলে। কি কৰিব একো ঠিক কৰিব নোৱাৰি অৱশেষত নিচা জাতীয় দ্ৰব্য সেৱনত হাত দিলে। যিজন সাগৰে নিচাত হাত নিদিবলৈ আনক উপদেশ দিছিল এতিয়া সিয়েই নিচা অবিহনে এখন্তেক থাকিব নোৱাৰা হ'ল। দীনেশৰ উপদেশ মৰ্মে সি চিঠিযোগে অঞ্জলিক তাৰ মনৰ ভাৱ ব্যক্ত কৰিলে। অঞ্জলি আচৰিত হ'ল। তাই অন্তৰত বৰ আঘাত পালে। তাই সপোনতো ভবা নাছিল যে ভনী বুলি আকোৱালি লোৱা ককায়েকে তাইক জীৱন সংগী হিচাপে বিচাৰিব । কেবাদিনো চেষ্টা কৰি তাই চিঠিৰ উত্তৰ লিখিব নোৱাৰিলে। অৱশেষত তাই লিখিলে যে সেই দিনা মন্দিৰত সাগৰৰ হাতত ৰাখী পিন্ধাই যি সম্বন্ধ স্থাপন কৰিলে তাক তাই উলংঘা কৰিব নোৱাৰে। এই পবিত্ৰ সম্বন্ধ বজাই ৰাখিবলৈ তাই সাগৰক অনুৰোধ জনালে।

অঞ্জলিৰ চিঠিৰ উত্তৰে সাগৰক বেছিকৈহে খুলালে। তাৰ নিজকে বৰ অপৰাধী যেন লাগিল। বেগিঙৰ সময়ত বিক্ৰমৰ দলটিৰ সেই সতীৰ্থ জনে কোৱা কথাষাৰ তাৰ মনত বাৰে বাৰে ভাঁহি উঠিল।" ভনী বুলি চিনাকি দি পিচলৈ জীৱন সংগী কৰি লোৱা বহুত দেখিছো।" কথাষাৰে যেন তাক বাৰে বাৰে উপলুঙা কৰিবলৈকে ধৰিলে। লগৰ বন্ধু -বান্ধৱীয়ে তাক বিশ্বাসঘাটক বুলি ভাবিব । সিহঁতৰ আগত সি কেনেকৈ মুখ দেখুৱাব। এইবোৰ ভাবি তাৰ চকুৰ টোপনি নোহোৱা হ'ল। জীৱন নদীৰ দুয়োপাৰে যেন প্ৰৱল গৰা খহনীয়াই খহাই নিবলৈ ধৰিলে।

সাগৰৰ আৰু পৰীক্ষা দিয়া নহ'ল। মানসিক দুৰ্বলতাই তাৰ সৰ্বস্ব উৎস গ্ৰাস কৰি নিলে। ঘৰলৈ যোৱা বাদ দি ভাড়াঘৰতে সোমাই থকা হ'ল। এতিয়া প্ৰতি দিনৰে একমাত্ৰ সংগী মদৰ বটল। এনে সময়তে তাৰ ওচৰত আহি ওলাল প্ৰৱাল । প্ৰৱাল সাগৰৰ হাইস্কুলীয়া জীৱনৰ একান্ত বন্ধু , দুয়ো একেলগে ভাল ফুটবল খেলিছিল । কলেজত পঢ়ি থকা অৱস্থাতে সি অপৰিপক্ক বিবেচনাৰে এটি সহস্ৰ বিপ্লৱী দলত যোগদান কৰিছিল। সেই দলৰ সি এতিয়া শীৰ্ষ স্থানীয় নেতা । প্ৰৱালৰ উদগনিতে, অঞ্জলিৰ বিৰহৰ বেদনা পাহৰি থাকিবলৈ সি এদিন সহস্ৰ বিপ্লৱী বাহিনীত যোগ দিলে আৰু অঞ্জলিৰ প্ৰতি থকা প্ৰেম সি ব্যস্ততাৰ মাজত থাকি পাহৰিবলৈ চেষ্টা কৰিলে। এদিন সহস্ৰ বিপ্লৱৰ বিৰোধিতা কৰা সাগৰে এতিয়া কেৱল ওপৰৱালাৰ নিৰ্দেশ মতে ন্যায়-অন্যায় দুয়োবিধ কামকে কৰি যাবলৈ ধৰিলে । সি আৰু তাৰ সংগীবোৰ হৈ পৰিল চৰকাৰৰ বাবে সন্ত্ৰাস । এদিন চৰকাৰৰ সেনাবাহিনীৰ লগত হোৱা সংঘৰ্ষত সি আৰু তাৰ বহু কেইজন সতীৰ্থই মৃত্যুক আকোৱালী ললে অতি কৰুণ ভাবে । বুকুত বহু আশা লৈ ডাঙৰ দীঘল কৰা মাক -দেউতাকৰ আশা সি পূৰাব নোৱাৰিলে।

চিঠিখন দিয়াৰ পিচৰ পৰা অঞ্জলিয়ে সাগৰক এবাৰো লগ পোৱা নাই। তাইৰ অন্তৰখন আজিকালি বিষণ্নভাবে ভৰি থকে। তাইৰ ভাৱ হয়, তাই যেন কৰবাত ভুল কৰিলে।

অঞ্জলিৰ দেউতাকে নিতৌ পুৱা চাহকাপ হাতত লৈয়ে বাতৰি কাকতখনত চকু ফুৰায়। সেইদিনাখনো তেওঁ বাতৰি কাকতখন মেলি লৈ প্ৰধান বাতৰিবোৰ পঢ়ি যাবলৈ ধৰিলে। হঠাতে তেওঁৰ চকুত পৰিল সাগৰৰ মৃত্যুৰ বাতৰি কটিয়াই অনা সেই শিৰোনামাটি । তেওঁ বাতৰিটো পঢ়ি চালে। তাত থকা ফটোখন ভালদৰে চালে। ফটোত এজনৰ মুখ তেওঁৰ চিনাকি চিনাকি যেন লাগিল। তেওঁ যেন ল'ৰা জনক ক'ৰবাত লগ পাইছে। ফটোখন চাবলৈ তেওঁ অঞ্জলিক মাতিলে। তাই বাতৰিটো আৰু ফটো খনত চকু ফুৰোৱাৰ লগে লগে কঁপা কঁপা মাতেৰে ওলাই আহিল ' সাগৰদা' ! তাইৰ হাতৰ পৰা বাতৰি কাকতখন সৰি পৰিল আৰু তাইৰ দুচকুৰেদি ধাৰাসাৰে অশ্ৰু বাগৰি আহিল। বুকুত এটি প্ৰচণ্ড বিষ তাই অনুভৱ কৰিলে আৰু কান্দি কান্দি তাই দেউতাকৰ কাষত বহি পৰিল।

কাহিনীটো শেষ কৰি সুব্ৰতে এটি দীৰ্ঘ নিশ্বাস পেলালে । বন্ধুবোৰো মৌন হৈ ৰ'ল। অকস্মাতে অহা ফেঁচাৰ চিঞৰেহে সিহঁতৰ স্বাভাৱিক চেতনা ঘূৰাই আনিলে। এতিয়া বহুত ৰাতি হ'ল । আটায়ে আকাশৰ ফালে চালে- চতুৰ্থীৰ জোনটোক এচপৰা ক'লা মেঘে ঢাকি ধৰিছে। □□□

# মৰহা পাপৰি



☐ মিচ্ বৰ্ণালী দাস
স্নাতক ২য় বৰ্ষ

অভিজিৎ চলিহা যোৰহাট চহৰৰ এজন নামজ্বলা অভিযন্তা। চৰকাৰী চাকৰীয়াল হিচাপে এজন সৎ আৰু নিষ্ঠাবান বুলি তেখেতৰ এটা সুনাম আছে।সেইবাবেই সমাজৰ বিভিন্ন উন্নয়নমূলক কামত তেওঁক ৰাইজে জড়িত কৰিছিল। চলিহাৰ এই গুণৰ বাবে সমাজৰ আন এটি চামে তেওঁক বিশেষ দৃষ্টিৰে চাইছিল। তেওঁলোকৰ দুই নম্বৰী চিন্তা আৰু ধন ঘটাৰ ৰাস্তাত চলিহা আছিল প্ৰাচীৰ । সেয়েহে এই লোক সকলৰ চিন্তা আছিল কিদৰে চলিহাক শল ঠেকত পেলাই নিজৰ নিজৰ স্বাৰ্থ সিদ্ধি কৰিব পাৰে।

অভিজিৎ চলিহাই সাধাৰণ ভাৱে জীৱন নিৰ্বাহ কৰিবৰ কাৰণে মানুহক যিখিনিৰ প্ৰয়োজন সেইখিনিকে বিচাৰিছিল। তেওঁ নিজৰ চাকৰিৰ দৰমহাৰে চহৰৰ মাজমজিয়াত তেখেতৰ পাঁচজনীয়া পৰিয়ালটো থাকিব পৰাকৈ এটা আচাম টাইপৰ ঘৰ সাজিছিল। মাহৰ দৰমহাৰে সুন্দৰকৈ তেওঁ পৰিয়ালটো চলাই নিব পাৰিছিল। কিন্তু লাহে লাহে তেওঁ অনুভৱ কৰিব ধৰিলে যে তেওঁ ইমান দিনে মানি অহা সততাৰ কোনো মূল্য নোহোৱা হৈছে। যেতিয়া সদায় সদায় আবেলি বা কেতিয়াবা বন্ধৰ দিনত ঘৰত থাকিলে তেওঁৰ পত্নী, পুত্ৰ-কন্যাই তেওঁক খোচ খোৱাৰ কাৰণে হেঁচা দিবলৈ ধৰে, তেতিয়া তেওঁৰ সততাৰ টকাৰে নিৰ্মাণ কৰা ঘৰটোৰ ভিতৰত উশাহ নিশাহ বন্ধ হৈ যাবৰ উপক্ৰম হয়।। খোচ খোৱা কাক কয় চলিহাই বুজি নাপায়। কাৰণ তেওঁৰ দেউতাক আছিল হাইস্কুলৰ এজন আদৰ্শ শিক্ষক। ককাক আছিল এজন আদৰ্শ কৃষক । চলিহাৰ এটা পুৰণা বংশ মৰ্যদা আছে। তেওঁৰ বংশৰ আটাইবোৰ লোক সমাজৰ একো একোজন সৎ ,ন্যায় পৰায়ণ , আদৰ্শবান ব্যক্তি। তেওঁ সৰুৰে পৰা দেখিছিল কেনেকৈ তেওঁৰ দেউতাকে শিক্ষকতা কৰাৰ উপৰিও অতি কষ্টেৰে খেতি পথাৰত কাম কৰিছিল। চলিহাই দেউতাকৰ পৰিশ্ৰমৰ মূল্য দিবলৈ সদায় চেষ্টা কৰিছিল। আৰু সময়ত দিব পাৰিছিল। কিন্তু চলিহাৰে দুৰ্ভাগ্য যে তেওঁৰ নতুন প্ৰজন্মই তেওঁৰ দৰে এজন আদৰ্শবান লোক নহ'ল। তেওঁৰ সততাৰ পৰিশ্ৰমৰ মূল্য দিব নাজানিলে। ইয়াকে ভাবি চলিহা কেতিয়াবা একেবাৰে অৱশ হৈ পৰে।

চলিহাই অফিচলৈ নিতৌ অটো বা চিটিবাছত অহা যোৱা কৰে । ইমান দিনে চাকৰি কৰা চলিহাই এখন সৰু চাৰিচকীয়া বাহনো ল'ব নোৱাৰিলে। ইয়াৰ বাবে মাজে মাজে তেওঁ পুত্ৰ-কন্যাৰ পৰা কটু কথা শুনিব লগীয়াত পৰে । চলিহাৰ পত্নী লাহ বিলাসত থাকিবলৈ বিচৰাটো স্বাভাৱিক। কাৰণ চলিহাৰ পত্নী আছিল এজন ক'লা টকাৰ ব্যৱসায় কৰা কোটিপতিৰ একমাত্ৰ জীয়েক। জীয়েকৰ বিয়াৰ সময়ত দেউতাকে যৌতুক হিচাপে ঘৰৰ প্ৰয়োজনীয় আচবাব পত্ৰৰ লগতে এখন মাৰুতি আৰু চহৰৰ মাজ মজিয়াত তিনি মহলীয়া বিল্ডিং এটাৰে সৈতে আধা বিঘা মাটি দিবলৈ ওলাইছিল। কিন্তু চলিহাই বিয়াৰ সময়ত যৌতুকৰ নামত শহুৰেকৰ ঘৰৰ পৰা এপদ বস্তুও নানিলে। চলিহাই নিজে উপাৰ্জনৰ টকাৰে এই সামগ্ৰীবোৰ নিৰ্মাণ কৰিম বুলি পত্নীক কথা দিছিল। কিন্তু বিয়াৰ ইমান দিন পিচতো থকা ঘৰটোৰ বাহিৰে একো এটা কৰিব নোৱাৰাৰ ফলত পত্নীয়ে প্ৰায়ে তেওঁক ঠাট্টা মস্কৰা কৰি থাকে। মাকৰ পৰা শুনি শুনি পুত্ৰ - কন্যায়ো তেওঁক ঠাট্টা কৰিবলৈ কুণ্ঠা বোধ নকৰে। নিজৰ সন্তানৰ পৰা , পত্নীৰ পৰা যেতিয়া বেয়া ব্যৱহাৰ পাব তেতিয়া মানুহ এজনৰ পক্ষে কমটো দুখৰ কথা নহয়। চলিহাৰো তেনেকুৱাই হ'ল। চলিহাৰ পুত্ৰ-কন্যাই তেওঁৰ ভাল আদৰ্শৰ হ'ব নোৱাৰিলেও পত্নীৰ বেয়া আদৰ্শৰ হৈয়ে আছে। আভিজাত্য ধনী পৰিয়ালৰ ছোৱালী বিয়া কৰোৱাৰ ফলতে তেওঁৰ আজি এই অৱস্থা বুলি তেওঁ মনে মনে ভাবে। কিন্তু কি কৰিব তেওঁ কাক দোষ দিব। বিধাতাৰ লিখন খণ্ডন নাযায় বুলি চলিহাই এটা দীঘল হুমুনিয়াহ এৰে। তেওঁৰ পত্নী, পুত্ৰ-কন্যাই ক'লা টকাৰ ব্যৱসায় কৰা পৰিয়ালৰ লোক সকলৰ লগত উঠা বহা কৰে। যাৰ ফলত আগতকৈ এতিয়া আৰু বেছিকৈ তেওঁ ঘৰৰ পৰিয়ালৰ বাবে অপদাৰ্থ মানুহ এজন হৈ পৰিছে।

সিদিনা চলিহাই এপ্ৰিল মাহৰ দৰমহাৰ টকা হাতত লৈ বজাৰ কৰি ঘৰলৈ উভতি আহিছিল। ঘৰলৈ আহি তেওঁ কলিং বেল টিপিবলৈ খুজি তেওঁৰ হাত বৈ গ'ল। ভিতৰত তেওঁৰ পত্নী ,পুত্ৰ-কন্যাই তেওঁৰ বিৰুদ্ধে নানা ধৰণৰ

মন্তব্য প্ৰকাশ কৰিছে। জয়ন্তই ক'ব ধৰিছে " দেউতাৰ নিচিনা এজন দুখীয়া অপদাৰ্থ এঞ্জিনিয়েৰ নাই । ৰাস্তাই ঘাটে দেউতাক আজি কালি চিনাকি দিবলৈ লাজ লগা হৈছে।" সৰু পুত্ৰ প্ৰশান্তই খঙেৰে প্ৰকাশ কৰিছে 'দেউতাৰ বংশটোৱেই এটা অকামিলা,অকৰ্মণ্য , কৰি খাব নোৱাৰাৰ বংশ। এই ভৰি দুখনেৰে খোজ কাঢ়ি লগৰ ল'ৰাবোৰৰ আগত ওলাবলৈ লাজ লগা হৈছে। সকলোৱে আজি কালি দুই নম্বৰী ন্যায় পৰায়ণ এঞ্জিনিয়াৰৰ ল'ৰা বুলি ঠাট্টা কৰে। ছিঃ কি যে ঘৰ এখনত জন্ম গ্ৰহণ কৰিলো'। একমাত্ৰ কন্যা নিতাই ক'লে 'দেউতা এজন মস্ত......'। আৰু কিবা কৈছিল যদিও চলিহাৰ কাণেৰে সোমাই নগ'ল। তেওঁ বুকুখন জোৰকৈ হেচা মাৰি ধৰি কলিং বেলটো টিপিলে। পত্নীয়ে কোনোবা অইন মানুহ অহা বুলি খৰ ধৰকৈ দৰ্জা খুলি দি চলিহাক দেখা পাই অলপ অপ্ৰস্তুত হ'ল। মুখেৰে একো নমতাকৈ চলিহাই একে কোবে গৈ , কোনো দিনে গাত হাত দি নোপোৱা জয়ন্ত আৰু প্ৰশান্তৰ গালত দুটা প্ৰচণ্ড 'চৰ' সোধালে। পত্নীৰ মুখলৈ চাই আঙুলি টোৱাই ক'লে 'যি খন ঘৰত সততাৰ মূল্য নাই সেইখন ঘৰৰ লোকে সততাৰে উপাৰ্জন কৰি অনা খাদ্য সামগ্ৰীবোৰ খোৱাৰ কোনো প্ৰয়োজন নাই '। এই বুলি চলিহাই নিজে বজাৰ কৰি অনা সামগ্ৰীবোৰ পোহনীয়া কুকুৰটোৰ আগত দলিয়াই দিলে। আৰু চলিহা নিজৰ কোঠালিৰ ভিতৰত সোমাই আজিৰ সমাজত সততাৰ মূল্য নোহোৱা বাবে পাৰ্যমানে উচুপিলে।

পিছদিনা অফিচলৈ গৈ তেওঁ ভাবিব ধৰিলে পত্নী, পুত্ৰ-কন্যাক সুখত ৰাখিবলৈ হ'লে ঘোচ খাবই লাগিব নেকি ? নাই নাই তেওঁ ঘোচখাব নোৱাৰে। তেওঁৰ বিবেকে তেওঁক কেতিয়াও ঘোচ খাব নিদিয়ে।কাৰণ চলিহাই নিজেও কাকো ঘোচ দি কাৰো অনুগ্ৰহৰ প্ৰাৰ্থী হৈ চাকৰি কৰা নাই । আৰু আজিলৈ তেওঁ কাৰো পৰা এটকাও ঘোচ খোৱা নাই। কোনোবা অযোগ্য ব্যক্তি যদি তেওঁৰ ওচৰলৈ ঘোচ দি চাকৰি লবলৈ আহেও তেনেকুৱা লোকক তেওঁ লগে লগে কোঠাৰ পৰা বাহিৰ কৰি দিয়ে।

কেইদিন মান পিচত চলিহাই এবছৰীয়া ট্ৰেইনিং এটাৰ কাৰণে বাহিৰলৈ যাব লগীয়াত পৰিল। তেওঁৰ অনুপস্থিতিত দুৰ্নীতি পৰায়ণ শ্ৰেণীৰ লোক সকলে তেওঁৰ ঘৰত আড্ডা দিবলৈ ল'লে। যি সকল লোকে ঘোচ দি চাকৰি বিচাৰি লোৱাত চলিহাৰ গালি খাই উভতিব ল'গা হৈছিল সেইবোৰ লোকে এতিয়া চলিহাৰ অনুপস্থিতিত পত্নী, পুত্ৰ-কন্যাৰ হাতত লাখ লাখ টকাৰ টোপোলাবোৰ আগবঢ়াই দি যায়। পত্নী,পুত্ৰ-কন্যাই টকাবোৰ ল'বলৈ প্ৰথমতে অলপ সংকোচ কৰিছিল যদিও পিচলৈ টকাৰ টোপোলাবোৰ দেখি কোনো সংকোচ নোহোৱা হ'ল। মুষ্টিমেয় শ্ৰেণীৰ লোকসকল সদায় আহি চলিহা নথকাৰ সুযোগ লৈ পত্নী,পুত্ৰ-কন্যাক ফুচুলাই চলিহাৰ আগৰ ঘৰটো একেবাৰে বদলি কৰি দিলে। চলিহাক শলঠেকত পেলাবলৈ যে এই শ্ৰেণীৰ লোকসকলে এইবোৰ কাম কৰিছে চলিহাৰ পত্নী,পুত্ৰ-কন্যাই গমকেই নাপালে। মাথোঁ তেওঁলোক ধনসম্পত্তিৰ মাজত লাহ বিলাসত মত্ত হৈ থাকিল। এতিয়া চলিহাৰ ঘৰটো দেখিলে কোনেও নকয় সেইটো এটকাও ঘোচ নোলোৱা চলিহাৰ ঘৰ। এবছৰ পিচত চলিহাই যেতিয়া ট্ৰেইনিং শেষ কৰি ঘৰলৈ উভতি আহিল তেতিয়া তেওঁ নিজৰ ঘৰটো চিনি পোৱা নাছিল। কি আচৰিত ! কোনোদিনে নথকা বস্তু বোৰ তেওঁৰ ঘৰত ! এবছৰৰ ভিতৰতে ঘৰটোৰ লগতে গোটেই চৌহদটো কোনে এনেকৈ সজাই দিলে, চলিহাই একো ভাবি নাপালে। ভিতৰত সোমাই অলপ জিৰাই লৈ তেওঁ পত্নীক সুধিলে এই বোৰ কেনেকৈ হ'ব পালে। তেতিয়া পত্নীয়ে এফালৰ পৰা সকলো কথা হাঁহি হাঁহি চলিহাৰ আগত ক'বলৈ ধৰিলে। এই সকলোবোৰ কথা শুনি তেওঁৰ মূৰৰ ওপৰত সৰগ ভাঙি পৰাৰ দৰে হ'ল। তেওঁ চিঞৰি চিঞৰি ক'বলৈ ধৰিলে যে এই ঘৰত তেওঁ ইমান লাহ বিলাসৰ মাজত কেতিয়া থাকিব নোৱাৰে। তেওঁ বেহুৰ মাজত সোমাই গ'ল। যাৰ মাজৰ পৰা তে হয়তো আৰু কেতিয়াও ওলাব নোৱাৰিব। ঘৰৰ সকলোকে তেওঁ চিঞৰি চিঞ সুধিলে তেওঁৰ অনুপস্থিতিত দুৰ্নীতিপৰায়ণ লোকসকলক কোনে, কিয় ঘৰ সোমাবলৈ দিছিল। তেওঁৰ সততাৰ, পৰিশ্ৰমৰ মূল্য তেওঁলোকে কিয় দি নোৱাৰিলে ? তেওঁৰ সততা ,ন্যায় পৰায়ণতা আদি গুণক কিয় তেওঁলোকে ভৰিৰে মোহাৰি দিলে। এনেতে বাহিৰত কলিংবেলৰ শব্দ শুনা গ'ল। চলিহা নিজে দৰ্জা খুলি দিয়াত কেইজনমান চি.বি.আইৰ বিষয়া সোমাই আহি এজনে চলিহাক ক'লে -'আমি আপোনাৰ ঘৰটো খানা তালাচি চলাবলৈ আহিছো'। চলিহাই হাঁহি মাৰি ঘৰটো তালাচি চলাবলৈ দিলে। কিন্তু তেওঁৰ পত্নী, পুত্ৰ-কন্যাই তালাচি চলোৱাত বাধা প্ৰদান কৰিবলৈ ওলাওঁতে চি.বি.আই .বিষয়া এজনে ধমকি দিয়াতহে ক্ষান্ত হ'ল। চি.বি.আই. ৰ লোকসকলে খানা তালাচি চলাই বহুতো আপত্তি জনক নথি পত্ৰ, অবৈধ ভাৱে ৰখা কেবাহাজাৰ টকা আৰু কেবালাখ টকাৰ নানান ধৰণৰ সামগ্ৰী উদ্ধাৰ কৰিলে।চলিহাই চি.বি.আই ৰ বিষয়া কেইজনক ক'লে যে তেওঁ এতিয়াহে অলপ শান্তি পাইছে। চি.বি.আই ৰ বিষয়া কেইজনে বিশেষ একো কথা আলোচনা নকৰি 'কাইলৈ আকৌ আহিম' বুলি কৈ ওলাই গ'ল। চলিহাই ভাবিবলৈ ধৰিলে তেওঁৰ হয়তো অৱসৰ লোৱাৰ আগতে চাকৰিৰ ম্যাদ শেষ হ'ব। তেওঁ দীঘল হুমুনিয়াহ এটা এৰি ভিতৰলৈ সোমাই গ'ল আৰু নিজৰ বিচনাত খুব অলস ভাবে শুই পৰিল।

পিছদিনা ৰাতিপুৱা চলিহাই শুই উঠি মুখ হাত ধুই আগফালৰ বাৰান্দাত থকা চকীখনত বহিছিলহে মাত্ৰ ।এনেতে বাতৰি দিয়া হকাৰ জনে তেওঁৰ গাৰ বাতৰি কাকত খন দলিয়াই দি গুচি গ'ল। বাতৰি কাকতখন মেলিয়েই চলিহা দেখিবলৈ পালে ডাঙৰ শিৰোনামৰে প্ৰকাশ পাইছে "যোৰহাটৰ নামজ এঞ্জিনিয়াৰ বিশিষ্ট ব্যক্তি অভিজিৎ চলিহাক কেবালাখ টকা ঘোচখোৱাৰ অপৰাধ চাকৰিৰ পৰা নিলম্বিত কৰা হৈছে।" চলিহাৰ হাতৰ পৰা বাতৰি কাকতখন পৰি গ'ল। তেওঁৰ মূৰটো কিহবাই জোৰকৈ আঘাত কৰা যেন অনুভৱ কৰিলে আৰু চাৰিওফালে আন্ধাৰ দেখিলে। এইদৰে কিমান সময় পাৰ হ'ল তেওঁ গম নাপালে। হঠাৎ ৱাল ঘড়ীটোত ৯ বজাৰ সংকেত পাই তেওঁ খৰধৰকৈ ভিতৰলৈ সোমাই গ'ল। গাটো ধুই মন্দিৰত সেৱা জনাই চলিহাই একো নোখোৱাকৈ অফিচলৈ ওলাই আহিল। ৰাস্তাত চলিহাই দেখিলে যে তেওঁক চাই বহুতো মানুহে ঠাট্টা মস্কৰা কৰিছে। জয়ন্ত, প্ৰশান্তহঁতৰ লগৰ ল'ৰা বোৰে ফিচিঙা ফিচিঙি কৰি হাঁহিছে অফিচত সোমোৱাৰ লগে লগে আজি চলিহাক কোনেও 'নমস্কাৰ ছাৰ' বুলি সম্ভাষণ নজনালে। তেওঁ বহা কোঠাটোৰ দৰ্জাখনত প্ৰকাণ্ড তলা এটা ওলমি আছে। চলিহাৰ কাষেৰে তলমূৰ হৈ অফিচৰ চকিদাৰটো গুচি গ'ল। যিজন ল'ৰা তাৰ সততা, ন্যায়পৰায়ণতা গুণৰ কাৰণে চলিহাই নিজে মাতি আনি এই অফিচ চকিদাৰ হিচাপে নিয়োগ কৰিছিল, সেই ল'ৰা জনেও আজি চলিহাক ভুল বুজিলে। চলিহাই অফিচৰ বাৰান্দাত থিয় হৈ ভাবিবলৈ ধৰিলে সঁচাকৈয়ে তেওঁ কৰি খা নোৱাৰা অপদাৰ্থ নেকি ? তেওঁৰ চিঞৰি চিঞৰি ক'বৰ মন গ'ল ঘূণে ধৰা আজিৰ এই লেতেৰা সমাজখনত সততাৰ কোনো মূল্য নাই। আজিৰ সমাজত সৎ,ন্যায়পৰায়ণ ব্যক্তি হৈ কোনো লাভ নাই। কিন্তু তেওঁ আজি আৰু এইবোৰ কথা ক'ব নোৱাৰে। তেওঁৰ এই কথাবোৰ আজি আৰু কোনেও নুশুনে কাৰণ তেওঁ আজি মৰহি যোৱা পাপৰি। কথাষাৰ ভাবি তেওঁ অফিচৰ পৰা ঘৰমুৱা হ'বলৈ বুলি ৰাস্তাত খোজ পেলালে।□□□

ফোন নং-৮২৩৩৩

ছাত্ৰ একতা সভা


# জৱাহৰলাল নেহৰু মহাবিদ্যালয়, বকো

পোঃ অঃ-বকো
জিলা ঃ- কামৰূপ ( অসম)
পিন -৭৮১১২৩

স্থাপিত- ১৯৬৪

## প্ৰসংগ ঃ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

তাৰিখ ...........



প্ৰ
তি
বে
দ
ন

সাধাৰণ সম্পাদকৰ পদৰ দৰে গুৰুত্ব পূৰ্ণ তথা দায়িত্ব পূৰ্ণ পদ এটিত উপবিষ্ট হ'ব পৰাটো মোৰ বাবে উৎসাহ পূৰ্ণ আৰু সৌভাগ্য। এনে এটি পদত মোক নিৰ্বাচিত কৰি জৱাহৰলাল নেহৰু মহাবিদ্যালয়,বকোৰ দৰে এখন মহাবিদ্যালয়ৰ সেৱা আগবঢ়োৱাৰ সুবিধা প্ৰদান কৰাৰ বাবে সমূহ শিক্ষাৰ্থী বৃন্দলৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰাটো নৈতিক কৰ্তব্য বুলিয়েই বিবেচনা কৰিছোঁ।

একবিংশ শতিকাৰ প্ৰাক্‌মুহূৰ্ত্তত বিশ্বই যেতিয়া এক " মানৱ জাতি' ধাৰণাত আগুৱাই বাট বুলিবলৈ সকলো ব্যৱস্থা গ্ৰহণ কৰি প্ৰস্তুত হৈ উঠিছে সেই মুহূৰ্ত্তত আমি যেন কেবা যোজন পিছুৱাই ক্ষুদ্ৰ ক্ষুদ্ৰ জাতি, ধৰ্মৰ অস্তিত্ব হেৰাই যোৱাৰ শংকাত সন্ত্ৰস্ত হৈ পৰিছোঁ আৰু তাকে কৰিবলৈ আমি বংশ তান্ত্ৰিক চিন্তা চৰ্চাৰ লেখিয়া সংকীৰ্ণতাক প্ৰশ্ৰয় দিয়াৰ কাৰণে তিলমানো থমকি ৰোৱা নাই । লাগিলে তাৰ বাবে নৰ্দমাটো স্থান নোপোৱা বৰ্তমানৰ কুৎচিত অমানবীয় ৰাজনীতিৰে আশ্ৰয় ল'ব লগীয়া হওক । এই সুযোগটোকে অমোঘ অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰি বৰ্তমান ক্ষমতা তথা অৰ্থলোভী এখেল লোকে ভ্ৰাতৃঘাটী সংঘৰ্ষৰ লেখিয়া নীচ কাৰ্যত আশ্ৰয় লৈ বৰ্তমানৰ মানৱ সমাজক শলঠেকত পেলাই নিজৰ মুনাফা লাভ কৰি পৰম আত্ম সন্তুষ্টি লাভ কৰা পৰিলক্ষিত হৈছে। এই অপশক্তিৰ ৰোষত পৰিছে বহুতো ভাই-ভনী,আই -বোপাই ; লাঞ্চিতাও হৈছে অনেক। এই অপশক্তিৰ বুট জোতাৰ গছকত উৰা ধূলিৰে ধূসৰ বৰ্তমানৰ মানৱ সমাজ । ইয়াৰ বিষবাষ্প সোমাই পৰিছে শিক্ষানুষ্ঠানৰ দৰে পবিত্ৰ অনুষ্ঠানবোৰতো। ফলত মহান মহান শিক্ষানুষ্ঠানৰ ঐতিহ্যৰ বৃহৎ বৃহৎ শৃঙ্গও মৰ্মৰ কৈ ভাঙি ধূলিসাৎ হোৱাৰ উপক্ৰম হৈছে। এই জটিল সন্ধিক্ষণত উপনীত হোৱা আমাৰ দেশৰ এটি অনুন্নত অঞ্চলত অৱস্থিত অঞ্চলটোৰ একমাত্ৰ উচ্চশিক্ষাৰ অনুষ্ঠান এই মহাবিদ্যালয়খনৰ লগত জড়িত সকলো শ্ৰেণীৰ লোকৰ মহানতাৰ কঠোৰ প্ৰচেষ্টাৰে অপশক্তিৰ কু-অভিসন্ধিক প্ৰতিহত কৰি নিলগাই ৰাখিব পাৰিছে বুলিয়েই মোৰ দৃঢ় ধাৰণা । কাচিৎ সোমাব খুজিলেও তাৰ বিপৰীতে মাৰ ৰান্ধি থিয় হৈ গজালিতে নিৰ্মূল কৰিবলৈ সক্ষম হ'ব বুলিয়েই মই আশা ব্যক্ত কৰোঁ। অযুত আশা বুকুত বান্ধি লৈ মহাবিদ্যালয়লৈ উচ্চ শিক্ষা আহৰণৰ মানসেৰে অহা শিক্ষাৰ্থী সকললৈ মই এই ছেগতে আহ্বান জনাইছোঁ- তেওঁলোকে যাতে তেওঁলোকৰ উদ্দেশ্যত অটল থাকি নিজ নিজ আকাঙ্ক্ষাক বাস্তৱায়িত কৰিব পাৰে । তাৰ বাবে তেওঁলোকে সকলো অপশক্তিৰ প্ৰত্যাহ্বানক অতিক্ৰম কৰিবই লাগিব। অন্যথা সুবিধাবাদীৰ হিংস্ৰ হাতোৰাৰ আক্ৰমণত থান-বান হৈ পৰিব ব্যক্তি তথা দেশৰ সকলো আশা আকাঙ্ক্ষা । সেয়ে মই আপোনাসৱক চিতা বাঘৰ দুৰন্ত গতিৰে পিছুৱাই নগৈ শামুকৰ গতিৰে হ'লেও মানৱতাৰ পথত আগুৱাই যাবলৈ আন্তৰিকতাৰে অনুৰোধ কৰিছোঁ।

এখন উচ্চ শিক্ষা প্ৰতিষ্ঠানৰ শিক্ষাৰ্থী হিচাপে সমাজে আমাক 'শিক্ষিত' বুলিয়েই আখ্যা দিয়ে আৰু আমিও তাকে লৈ গৰ্ববোধ কৰোঁ। কিন্তু আমাৰ ধ্যান, ধাৰণাত যদি সুস্থ বিবেক -বিচাৰ নাথাকে তেনেহলে নিজকে শিক্ষিত বুলি দাবী কৰাৰ অৰ্থ ক'ত? এজন শিক্ষিত আৰু অশিক্ষিত ব্যক্তিৰ মাজত থকা প্ৰভেদ কোন খিনিত ? সেয়ে মই আমাৰ মহাবিদ্যালয়ৰ প্ৰতিজন সচেতন ছাত্ৰ-ছাত্ৰীকে নিজৰ জাতিগত , ধৰ্মীয়, বৰ্ণ ইত্যাদিৰ সংকীৰ্ণ মনোভাৱ পৰিহাৰ কৰাৰ লগতে কোনো কু- ৰাজনীতি বা কু-অভিসন্ধিৰ লোকৰ চলনাক মহাবিদ্যালয়ৰ ভিতৰত প্ৰশ্ৰয় নিদি অসমী আইৰ সুযোগ্য সন্তান হিচাপে নিজৰ পৰিচয় দাঙি ধৰিবলৈ এই প্ৰতিবেদন যোগে আহ্বান জনালোঁ।

আন বিগত বছৰৰ দৰে আমাৰ কাৰ্যকাল ছোৱাতো মহাবিদ্যালয়ৰ বিভিন্ন অনুষ্ঠান সমূহ পাৰ্যমানে জাক জমকতাৰে

ফোন নং-৮২৩৩৩

ছাত্ৰ একতা সভা

জৱাহৰলাল নেহৰু মহাবিদ্যালয়, বকো

পোঃ অঃ-বকো

জিলা ঃ- কামৰূপ ( অসম)

পিন -৭৮১১২৩

স্থাপিত- ১৯৬৪

প্ৰসংগ ঃ ............ তাৰিখ ...........

প্ৰ তি বে দ ন

উদ্‌যাপন কৰিবলৈ চেষ্টা চলোৱা হয়। কিন্তু এই ক্ষেত্ৰত কৰ্তৃপক্ষৰ পৰা নানা ধৰণৰ বাধাৰ সন্মুখীন হ'বলগীয়া হয়। ছাত্ৰ-ছাত্ৰীসকল প্ৰতিটো কাৰ্য বা ঘটনাৰেই প্ৰত্যক্ষদৰ্শী। সেয়ে সেইবোৰ উল্লেখ কৰি মই প্ৰতিবেদনৰ কলেবৰ বৃদ্ধি কৰিব খোজা নাই। লগতে আন এটা কথা স্বীকাৰ কৰিবই লাগিব যে প্ৰতিজন শিক্ষাৰ্থী আৰু অধ্যাপক -অধ্যাপিকাৰ সৎ পৰামৰ্শ আৰু প্ৰচেষ্টাৰবাবে আমি এই বাধা সমূহ হেলাৰঙে অতিক্ৰমি যাবলৈ সক্ষম হৈছিলো। সেইবাবেই ক্ৰীড়া সুলভ উৎকৰ্ষ সাধন তথা বহিঃ প্ৰতিযোগিতাৰ লগত প্ৰতিদ্বন্দ্বিতা কৰি ক্ৰীড়া কৌশল লাভ কৰাৰ সুবিধাৰ্থে আন্ত: মহাবিদ্যালয় পৰ্যায়ৰ প্ৰতিযোগিতাৰ লগতে আন আন অনুষ্ঠান সমূহ সফল হোৱাটো সম্ভৱ হৈ উঠিছিল।এয়া মোৰ আত্মগৌৰৱ নহয়। মাত্ৰ শিক্ষাৰ্থী বন্ধু-বান্ধৱী সকলৰ প্ৰতি থকা আন্তৰিকতাপূৰ্ণ নিবিহ্ প্ৰচেষ্টাহে। এই অনুষ্ঠান সমূহ সাফল্য মণ্ডিত কৰিতোলাত হাত উজান দিয়া সকলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

বৰ্তমান বিজ্ঞানৰ যুগত , সমাজে গোলকীকৰণ (Globalization) ৰ দিশে গতি কৰাৰ এই সময়ছোৱাত আমাৰ মহাবিদ্যালয়ৰ পুথিভঁড়াল, গৱেষণাগাৰ , ছাত্ৰ আৰু ছাত্ৰী জিৰণী কোঠাৰ অৱস্থা তেনেই পয়ালগা বিধৰ । ইয়াৰ উপৰিও আন অভাৱ সমূহ হ'ল - শৌচাগাৰ, আবাসগৃহ, কলেজ কেণ্টিন, চাইকেল গৃহ, ইত্যাদি ইত্যাদি । এই অভাৱ সমূহ পৰ্যায়ক্ৰমে অতি শীঘ্ৰে পূৰণ কৰি শিক্ষাৰ্থী সকলৰ মাজত শিক্ষাৰ ক্ষেত্ৰত সুস্থ বাতাবৰণৰ ব্যৱস্থা কৰিব বুলি আশাৰে সংশ্লিষ্ট সকলৈ অনুৰোধ জনালোঁ।

অৱশেষত সুস্থ আৰু সৎপৰামৰ্শ দান কৰি আমাৰ কাৰ্যকালত সহায় আগবঢ়োৱা বাবে মহাশয় দ্বিজেন দাস , মহাশয় নবীন মুদিয়াৰ আৰু আন অধ্যাপক-অধ্যাপিকা সকলৈ মোৰ আন্তৰিক শ্ৰদ্ধা যাচিলোঁ। বিভিন্ন কামত সহযোগ কৰা বাবে সহ-সাধাৰণ সম্পাদক ধীৰাজ বাভা আৰু একতা সভাৰ সতীৰ্থবৃন্দৰ উপৰিও বন্ধু-বান্ধৱী ক্ৰমে ৺দেৱল বড়ো , বাপন,হেমন্ত, লোহিতকা ,সংগীত, লিটিল, বাবুল চাৰিও,ধনঞ্জয়, প্ৰদীপ, ৰঞ্জিত, নিপন, গীতা,বিমা, মানসী প্ৰিয়া, ৰীতা, উপমা, বৰ্ণালী, বিপুল,পদ্মদা, একালব্য, মলয়,কুন্তলা, দেৱলা, গীতা, জুনুকা, শ্যাম, ছুপাৰ, সনাতন, সভাকা, -----------

আৰু বিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীবৃন্দলৈ মোৰ অকৃত্ৰিম ধন্যবাদ। লগতে অজানিতে বৈ যোৱা ভুল-ত্ৰুটিৰ বাবে ক্ষমা বিচাৰি, মহাবিদ্যালয়ৰ উত্তৰোত্তৰ কামনা কৰি প্ৰতিবেদনৰ ইতি ৰেখা টানিছোঁ।

**'জয় আই অসম'**

*ধন্যবাদেৰে-*

*লোকপ্ৰিয় দাস*

ফোন নং-৮২৩৩৩

ছাত্র একতা সভা

**জৱাহৰলাল নেহৰু মহাবিদ্যালয়, বকো**

পোঃ অঃ -বকো

জিলা ঃ- কামৰূপ ( অসম)

পিন -৭৮১১২৩

স্থাপিত- ১৯৬৪

প্ৰসংগ ঃ **সহঃ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন** তাৰিখ .......



প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে জ্ঞাত অজ্ঞাত শ্বহীদ সকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা জনাইছোঁ আৰু আশা ৰাখিছোঁ তেওঁলোকৰ আগৰ নিদৰ্শনে যুৱ শক্তিক প্ৰেৰণা যোগাই থাকিব। জৱাহৰলাল নেহৰু মহাবিদ্যায়ৰ অধ্যক্ষ মহোদয়, শিক্ষাগুৰু বৃন্দ আৰু কাৰ্য্যালয়ৰ সহকাৰী বন্ধু-বান্ধৱী সকললৈয়ো মোৰ কৃতজ্ঞতা যাচিছোঁ। লগতে ১৯৮৯-৯৯ ইং চনৰ বাবে ছাত্ৰ একতা সভাৰ সহঃ সাধাৰণ পদত নিৰ্বাচিত কৰি এই মহান অনুষ্ঠানটোলৈ সেৱা আগবঢ়োৱাৰ সুযোগকণ দিয়াৰ বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীলৈ মোৰ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

এটা কথা সত্য যে পৰিৱৰ্তন এটা আনিবলৈ গ'লে তাৰ মাজত বাধাৰ প্ৰাচীৰ থিয় হয়; আৰু এই প্ৰাচীৰ ভেদ কৰিব পৰাটোৱে বোধহয় আমাৰ সাফল্য। ছাত্ৰ একতা সভাৰ সদস্য হৈ থকা সময় ছোৱাত মহাবিদ্যালয়ৰ সমস্যা সমূহ হৃদয়ঙ্গম কৰিব পাৰিছিলোঁ, কিন্তু মোৰ পদবীৰ মূল চাবি কাঠি সাধাৰণ সম্পাদকৰ লগত। সেয়েহে প্ৰায়বোৰ কামেই সাধাৰণ সম্পাদকৰ পৰামৰ্শ অনুসৰি কৰিব লগা হৈছিল। নিজাববীয়াকৈ কিবা এটা কৰাৰ ক্ষমতা সীমিত আছিল। সেই বাবে নিজৰ মনৰ মাজত থকা পৰিকল্পনাবোৰ মনতে সীমাবদ্ধ হৈ থাকিল । মহাবিদ্যালয়ৰ সকলোবোৰ সমস্যা দূৰ কৰাটো সম্ভৱ নহয়।

যি কি নহওঁক মহাবিদ্যালয়ৰ সেৱা-' মহাবিদ্যালয় সপ্তাহ'ত ছাত্ৰ একতা সভাৰ বিভাগীয় সম্পাদক সকলক তেওঁলোকৰ কাৰ্যাৱলী চলাই নিয়াত দিহা পৰামৰ্শ তথা সহায় সহযোগিতা আগবঢ়োৱাৰ উপৰিও নৱাগত আদৰণি সভা , সৰস্বতী পূজা আদি উৎসৱৰ দিনাবোৰ কাৰ্য্য সূচীবে চলাই নিবলৈ সক্ষম হওঁ। মোৰ কাৰ্যকালচোৱাত মহাবিদ্যালয়ত সদৌঅসম ভিত্তিত এখন আন্তঃ মহাবিদ্যালয় পাঞ্জা খেল প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ সৌভাগ্য হৈছিল। আমাৰ মহাবিদ্যালয়খন যদিও পিচপৰা জনজাতীয় অঞ্চলত অৱস্থিত তথাপিও ইয়ে আমাক বহুত জ্ঞানৰ পোহৰ বিলাইছে আৰু অসমৰ শিক্ষা জগতত সুখ্যাতি অৰ্জন কৰিবলৈ সক্ষম হৈছে তথা এই অঞ্চলৰ আৰ্থিক ভাবে পিচপৰা ছাত্ৰ-ছাত্ৰীৰ উচ্চ শিক্ষাৰ পথ প্ৰশস্ত কৰিছে। মই জৱাহৰলাল নেহৰু মহাবিদ্যালৰ কৰ্তৃপক্ষক অনুৰোধ জনাওঁ যে, ভৱিষ্যতে যেন মহাবিদ্যালয়ৰ সমস্যা বোৰ সমাধান কৰিবলৈ যত্নপৰ হয়।

মোৰ কাৰ্যকালচোৱাত সৰ্বতো প্ৰকাৰে দিহা পৰামৰ্শ আগবঢ়োৱা মাননীয় অধ্যক্ষ তথা ছাত্ৰ একতা সভাৰ সভাপতি ড° ৰমাকান্ত বৰুৱা দেৱলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জনাইছোঁ। মহাবিদ্যালয়ৰ সমূহ অধ্যাপক -অধ্যাপিকালৈ মোৰ আন্তৰিক অভিনন্দন যাচিছোঁ। তদুপৰি মোৰ কাৰ্যকালত মোক বিভিন্ন দিশত সহায় সহযোগিতা আগবঢ়োৱা ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীলৈ মোৰ আন্তৰিক মৰম তথা কৃতজ্ঞতা থাকিল।

সদৌ শেষত মোৰ কৰ্তব্য পালন কৰোঁতে হোৱা জ্ঞাত-অজ্ঞাত ভুলত্ৰুটিৰ বাবে ক্ষমা বিচাৰিছোঁ। আৰু আমাৰ মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰি প্ৰতিবেদনৰ সামৰণি মাৰিছোঁ।

'জয়তু জৱাহৰলাল নেহৰু মহাবিদ্যালয়'

**ধন্যবাদেৰে-**

*ধীৰাজ কুমাৰ ৰাভা*

ফোন নং-৮২৩৩৩

ছাত্র একতা সভা

জৱাহৰলাল নেহৰু মহাবিদ্যালয়, বকো

পোঃ অঃ-বকো

জিলা ঃ- কামৰূপ ( অসম)

পিন -৭৮১১২৩

স্থাপিত- ১৯৬৪

প্ৰসংগ ঃ **আলোচনী সম্পাদকৰ প্ৰতিবেদন** তাৰিখ .......

প্ৰতিবেদন

ইতিহাস মেলিলে দেখা যায় যে বৰ অসমৰ পৰিধি কমতাপুৰ ৰাজ্যৰ সাতখন ৰাজ্যৰ বাহিৰেও বঙ্গদেশৰ ৰংপুৰ, দিনাজপুৰ, মৈমনসিং আদি সামৰি কৰতোৱা নদী পৰ্যন্ত প্ৰায় ১৭০০ মাইল ব্যাপি আছে । অসমৰ জাতি গঠন প্ৰক্ৰিয়া ঐক্য, সংহতি সম্প্ৰীতিৰ উদাহৰণ । হেজাৰ বছৰ অনুকুল প্ৰতিকুল অৱস্থাৰ মাজেদি আহি বৰ্তমান অৱস্থা পাইছে । অসমৰ সকলো জনগোষ্ঠীক সামৰি মঙ্গোলীয় গঠনৰ মুখেৰে সংমিশ্ৰিত বৰ্ণসংকৰ জাতিটোৱে হ'ল অসমীয়া জাতি । এডৱাৰ্ড গাইডে তেওঁৰ 'হিষ্টৰী অৱ আছাম'ত লিখিছে যে ৮০ শতাংশ অসমীয়া মানুহেই জনজাতিৰ পৰা আহিছে । ড° মহেশ্বৰ নেওগে অসমৰ সংহতিৰ জয়গান গাবলৈ গৈ লিখিছে-'এই দেশ চৌত্ৰিশ জাতিৰ দেশ । আহোমসকলেই নানা চৌত্ৰিশ জাতি উপজাতিৰে ভৰা পূৰ ভাৰতৰ এই ৰাজ্যখন একত্ৰিকৰণ কৰিলে এঘাৰ কোঠা মাৰি এক কোঠা কৰিলে এই খনেই অসম ৰাজ্য, ইয়াৰ মানুহ থিনিয়েই বৰ অসমীয়া মানুহ ।'

অসমৰ ঐক্য সংহতি ৰক্ষাৰ ক্ষেত্ৰত, সমাজ গঠন প্ৰক্ৰিয়াত শংকৰদেৱৰ বৰঙণি সদায় স্মৰণীয় । বৃহৎ অসমীয়া জাতিটোৰ ভেটী সুদৃঢ় কৰিবলৈকে তেওঁ কছাৰীৰ কমাই, গাৰোৰ গোবিন্দ আতৈ , মিৰিৰ পৰমান্দ আতৈ, মুছলমানৰ চান্দসাই ইত্যাদিক প্ৰধান ভকত পাতে । বিভিন্ন জাতি-ধৰ্ম-বৰ্ণৰ মাজত মানৱ প্ৰেম, ভাতৃত্ববোধ, সমন্বয় আৰু একাত্মবোধ মন্ত্ৰৰ দ্বাৰা বৃহত্তৰ অসমীয়া জাতি গঠন কৰিবলৈ তেওঁ সক্ষম হৈছিল । অথচ আজি সেই অসমৰ বুকুতে প্ৰতিদিনে অবিয়া-অবি , হিংসা, হত্যা, ধৰ্ষণ , লুণ্ঠন বাৰুদৰ গুলি । অসমৰ আকাশত আজি মুক্ত বায়ু পাবলৈকে নাই । আহক আমি আকৌ অসমৰ ঐক্য সংহতি ৰক্ষাৰ ক্ষেত্ৰত যুগনায়ক জনক অনুসৰণ কৰোঁ । বিচিন্নতাবাদ,সন্ত্ৰাসবাদ, ভাতৃঘাটী সংঘৰ্ষক মষিমূৰ কৰি দেশৰ ঐক্যসংহতিৰ পথত থকা সকলো হেঙাৰ আঁতৰাই জয় যাত্ৰা আৰম্ভ কৰোঁ ।

সম্ৰাট অশোকে কলিংগ যুদ্ধত অসংখ্য মানুহৰ মৃত্যুত মৰ্মাহত হৈ অহিংসা ব্ৰত পালন কৰিছিল । মহাভাৰতৰ কুৰুক্ষেত্ৰৰ যুদ্ধত শতপুত্ৰ মৃত্যুৰ পিছত গান্ধাৰীয়ে কৈছিল -'এইখনেই পৃথিৱীৰ শেষ যুদ্ধ হওক ।' কিন্তু শেষ যুদ্ধ নহ'ল । তাৰ পিছতো অনেক যুদ্ধ ভাৰতভূমিত সংঘটিত হৈ থাকিল । তাৰ শেহতীয়া প্ৰমাণ 'কাৰ্গিল যুদ্ধ।' ভাৰত পাকিস্তানৰ মাজৰ সীমাৰেখা স্পষ্ট হৈ থকা সত্বেও পাকিস্তানে কাশ্মীৰ অধিকাৰ কৰিবলৈ চেষ্টা এৰা নাই । দেশৰ অখণ্ডতাৰ বাবে ভাৰত সদায় জাগ্ৰত প্ৰহৰী হৈ থকা উচিত । এই ছেগতে দেশৰ অখণ্ডতাৰ স্বাৰ্থত জীৱন আহুতি দিয়া সৈন্য সকলৰ পবিত্ৰ আত্মাৰ চিৰশান্তি কামনা কৰিলোঁ ।

আন বহুজনৰ দৰে আমি কওঁ-

কাৰ্গিল যুদ্ধই ভাৰতবৰ্ষৰ শেষ যুদ্ধ হওক ।

ব্যক্তিগত ঃ আলোচনী সম্পাদকৰ দৰে এটি গধুৰ দায়িত্ব পালন কৰিবলৈ মোক সুবিধা দিয়া বাবে আমাৰ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীকে মোৰ ভৰফৰ পৰা কৃতজ্ঞতা জনালোঁ । বিগত বছৰ বোৰৰ দৰে আমাৰ কাৰ্যকালতো 'মহাবিদ্যালয় সপ্তাহ' অনুষ্ঠিত কৰা হয় । উক্ত সপ্তাহৰ লগত সংগতি ৰাখি সাহিত্য বিভাগৰ পৰা গল্প, কবিতা, প্ৰবন্ধ , কাৰ্টুন ,থিতাতে লিখা কবিতা আদিৰ প্ৰতিযোগিতা পতা হয় । কিন্তু দুখৰ বিষয় মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী অনুপাতে আশাকৰা ধৰণে সঁহাৰি পোৱা নগ'ল । আশাকৰোঁ আগলৈ এই ক্ষেত্ৰত আশানুৰূপ সঁহাৰি পোৱা যাব । সেইদৰে 'নৱাগত আদৰণি' অনুষ্ঠানৰ সময়ত সীমিত

ফোন নং-৮২৩৩৩

ছাত্ৰ একতা সভা

# জৱাহৰলাল নেহৰু মহাবিদ্যালয়, বকো

পোঃ অঃ-বকো

জিলা ঃ- কামৰূপ ( অসম)

পিন -৭৮১১২৩

স্থাপিত- ১৯৬৪

প্ৰসংগ ঃ

তাৰিখ .......

প্ৰ তি বে দ ন

লিখনিবে 'প্ৰাচীৰ পত্ৰিকা' খনিও ন কৈ সজোৱা হয় ।

আলোচনী এখন সম্পাদনা কৰা অতি কঠিন কাম । এই কঠিন কামকো সহজ কৰি ছাত্ৰ-ছাত্ৰীৰ হাতত আলোচনীখন তুলি দিবলৈ সক্ষম কৰা বাবে সম্পাদনা সমিতিৰ উপৰিও মাননীয় অধ্যক্ষ ড° ৰমাকান্ত বৰুৱাদেৱ, প্ৰাক্তন ভাৰপ্ৰাপ্ত অধ্যক্ষ শ্ৰীযুত বসন্ত কুমাৰ দত্ত ছাৰ, শ্ৰীগণেশ্বৰ চহৰীয়া দেৱ আৰু বড়ো বিভাগৰ লেখনি সমূহত চকুফুৰাই দিয়া বাবে মাননীয়া বড়ো বিভাগৰ বাইদেউ ভৈৰৱী বড়োলৈ আমাৰ কৃতজ্ঞতা জনালোঁ । মাননীয়া তত্ত্বাৱধায়িকা বাইদেউ এই সময় চোৱাত ছাঁটোৰ দৰে লাগি থাকি আমাক যি অনুপ্ৰেৰণা যোগালে সেই কথা সদায় স্মৃতি হৈ ৰ'ব ।

মোৰ কাৰ্য ক্ষেত্ৰত বিভিন্ন সহায় আগবঢ়োৱা মোৰ বন্ধু সৰ্বশ্ৰী লোকপ্ৰিয় , ধীৰাজ, হেৰম্ব, বিবেক , গিৰিণ, সহকাৰী সম্পাদক হেমন্ত আৰু বান্ধৱী ৰশ্মিৰেখা, দীপপ্ৰিয়া , অনিতা, মণিকা, কৰবী, ভণিতা আৰু পদ্মদালৈ মোৰ আন্তৰিক কৃতজ্ঞতা যাচিছোঁ । লগতে কাৰ্যালয় সহায়কদ্বয় শ্ৰীশৈলেন শৰ্মা আৰু শ্ৰীপ্ৰদীপ দাসলৈ কৃতজ্ঞতা থাকিল । অলিভিয়া প্ৰেছৰ স্বত্বাধিকাৰী আৰু কৰ্মচাৰী বৃন্দই ধৈৰ্য্য সহকাৰে আলোচনীখন ছপাকৰি দিয়া বাবে তেখেতসকলো ধন্যবাদৰ পাত্ৰ ।

সদৌ শেষত জ্ঞাত অজ্ঞাত সকলো ভুলৰ বাবে ক্ষমা বিচাৰি আৰু 'জৱাহৰ জ্যোতি'য়ে ছাত্ৰ-ছাত্ৰী সকলৰ বৌদ্ধিক বিকাশত সদায় আগভাগ লওক তাৰে কামনা কৰি মোৰ কলম ইমানতে সামৰিলোঁ ।

'জয়তু জৱাহৰ জ্যোতি'

'জয়তু জৱাহৰলাল নেহৰু মহাবিদ্যালয়'

ধন্যবাদেৰে-

শ্ৰীদীপজ্যোতি বড়ো

ফোন নং-৮২৩৩৩

ছাত্র একতা সভা

# জৱাহৰলাল নেহৰু মহাবিদ্যালয়, বকো


পোঃ অঃ-বকো

জিলা ঃ- কামৰূপ ( অসম)

পিন -৭৮১১২৩

স্থাপিত- ১৯৬৪

প্ৰসংগ ঃ **সহঃ আলোচনী সম্পাদকৰ প্ৰতিবেদন** তাৰিখ .......



প্ৰ তি বে দ ন

জয় জয়তে ১৯৯৮-৯৯ বৰ্ষৰ সমূহ ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীক মোৰ কৃতজ্ঞতা জ্ঞাপন কৰি প্ৰতিবেদন লিখিবলৈ লৈছোঁ ।

আমি কাৰ্যভাৰ দায়িত্ব লোৱাৰ কিছুদিন পিছতে বিগত বছৰ বিলাকৰ দৰে এই বেলিও 'মহাবিদ্যালয় সপ্তাহ' পালন কৰা হয় । সেই উপলক্ষে সাহিত্য বিভাগৰ পৰা ছাত্ৰ-ছাত্ৰী সকলৰ মাজত গল্প, কবিতা, প্ৰবন্ধ ,থিতাতে লিখা কবিতা, কাৰ্টুন আদিৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয় । অতি দুখৰ বিষয় যে মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰী অনুপাতে আশা কৰা ধৰণে সৰহ সংখ্যক লেখনি পোৱা নগ'ল। প্ৰতিযোগিতাৰ বাবে যিখিনি পোৱা হৈছিল সেইখিনিকে আমাৰ মহাবিদ্যালয়ৰ অৱসৰ প্ৰাপ্ত ভাৰপ্ৰাপ্ত অধ্যক্ষ শ্ৰীযুত বসন্ত কুমাৰ দত্ত মহোদয়ে বিচাৰ কৰি দিয়ে । এই ছেগতে তেখেতলৈ আমি কৃতজ্ঞতা যাচিলোঁ । মহাবিদ্যালয়ৰ 'নৱাগত আদৰণি' সভা উপলক্ষে এখনি প্ৰাচীৰ পত্ৰিকাও উলিওৱা হয় । এই প্ৰাচীৰ পত্ৰিকাখনি উদঘাটন কৰে সাহিত্যিক তথা অৱসৰ প্ৰাপ্ত শিক্ষক মাননীয় শ্ৰীযুত পদ্মৰাম মহন্তদেৱে । আমাৰ অনুৰোধ ৰক্ষা কৰি শ্ৰীমহন্তদেৱে তেখেতৰ বহুমূলীয়া ভাষণেৰে ছাত্ৰ-ছাত্ৰী সকলক অবিৰতভাৱে লেখা অভ্যাস কৰিবলৈ উদগনি দিয়ে । তেখেতলৈ আমাৰ তৰফৰ পৰা আন্তৰিক শলাগ যাচিলোঁ । যিসকল ছাত্ৰ-ছাত্ৰীয়ে এই সংখ্যাটি সজোৱাত বৰঙণি যোগালে তেখেতসকললৈ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ ।

আনএটি কথা দুখেৰে জনাব লগীয়া হৈছে যে অৰ্থনৈতিক কাৰণ আৰু ছাত্ৰ-ছাত্ৰী সকলৰ পৰা সময়মতে লেখনি সমূহ নোপোৱা বাবে আমি মহাবিদ্যালয়ৰ আলোচনী খন নিৰ্ধাৰিত সময়ৰ ভিতৰত ছাত্ৰ-ছাত্ৰীৰ হাতত তুলি দিব নোৱাৰিলোঁ । ছাত্ৰ-ছাত্ৰীৰ পৰা লেখনি বিচাৰি দুই তিনিবাৰ জাননী দিব লগা হৈছে । ছাত্ৰ-ছাত্ৰীয়ে অপৈনত হাতেৰে লেখা লেখনি সমূহ আলোচনীৰ পাতত ঠাই পাবৰ বাবে সম্পাদনা সমিতিয়ে যথেষ্ট কষ্ট কৰিব লগীয়া হৈছে । বিশেষকৈ ছাত্ৰ-ছাত্ৰী সমূহক লেখিবলৈ তাগিদা দিয়াৰ পৰা আৰম্ভ কৰি ছপা শাললৈ যোৱালৈকে সকলো কামতে নেবা-নেপেৰাকৈ আমাৰ লগত লাগি থাকি আলোচনীখন ছাত্ৰ-ছাত্ৰীৰ হাতত তুলি দিব পৰা বাবে আমাৰ শিক্ষাগুৰু তত্বাৱধায়িকা শ্ৰীযুতা বিজয়া ডেকা বাইদেউৰ ওচৰত চিৰ ঋণী হৈ থাকিলো ।

এই সময় ছোৱাত বিভিন্ন দিহা-পৰামৰ্শৰে আমাক সহায় কৰা বাবে আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ ৰমাকান্ত বৰুৱা ছাৰলৈ আৰু শ্ৰীযুত গণেশ্বৰ চহৰীয়া দেৱলৈ আমাৰ হিয়াভৰা কৃতজ্ঞতা যাচিলোঁ ।

আলোচনীখনৰ বেটুপাত শিল্পী বন্ধু শ্ৰীদেৱজিৎ ৰবা, স্কেচ্ শিল্পী ডেনিয়েল মাৰাক আৰু অলিভিয়া প্ৰেছৰ স্বত্বাধিকাৰী আৰু সমূহ কৰ্মী বৃন্দলৈ আমাৰ অকৃত্ৰিম কৃতজ্ঞতা যাচিলোঁ । লগতে আমাৰ কাৰ্যকালত বিভিন্ন ধৰণে সহায় কৰা ছাত্ৰ একতা সভাৰ সমূহ সদস্য-সদস্যা, বন্ধু বিপুল , ত্ৰৈলোক্য, ধীৰাজ, অশোক, বিজু, কমল, পদ্মকা, সভাকা, ভণ্টি ৰশ্মি আৰু বান্ধৱী সকললৈ মোৰ অশেষ ধন্যবাদ আৰু কৃতজ্ঞতা থাকিল ।

শেষত অজানিতে হোৱা ভুলৰ বাবে ক্ষমা বিচাৰি আৰু মহাবিদ্যালয় তথা 'জৱাহৰজ্যোতি'ৰ সৰ্বাঙ্গীণ উন্নতি কামনা কৰি প্ৰতিবেদন সামৰিছো ।

'জয়তু জৱাহৰ জ্যোতি,'

'জয়তু জৱাহৰলাল নেহৰু মহাবিদ্যালয়'

ধন্যবাদেৰে-

হেমন্ত কুমাৰ ৰাভা

ফোন নং-৮২৩৩৩

ছাত্ৰ একতা সভা

জৱাহৰলাল নেহৰু মহাবিদ্যালয়, বকো


পোঃ অঃ-বকো

জিলা ঃ- কামৰূপ ( অসম)

পিন -৭৮১১২৩

স্থাপিত- ১৯৬৪

প্ৰসংগ ঃ **তৰ্ক আৰু আলোচনা চক্ৰ বিভাগৰ সম্পাদকৰ প্ৰতিবেদন** তাৰিখ .......



প্ৰতিবেদন

প্ৰতিবেদনৰ বুলনিতে ১৯৯৮-৯৯ বৰ্ষৰ ছাত্ৰ একতা সভাৰ " তৰ্ক আৰু আলোচনা চক্ৰ" ৰ সম্পাদক পদৰ গুৰু দায়িত্ব বহন কৰাৰ বাবে যি সকলৰ সঁহাৰিয়ে মোক অনুপ্ৰেৰণা দিলে, তেওঁলোকলৈ মোৰ হিয়া ভৰা মৰম আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

বৰ্তমান যুগটো হৈছে প্ৰতিযোগিতাৰ যুগ। এই প্ৰতিযোগিতাৰ যুগত ছাত্ৰ-ছাত্ৰী সকলে পুথিগত বিদ্যাৰ উপৰিও আন বিষয় সমূহতো পাৰদৰ্শিতা দেখুৱাব লাগিব। কেৱল স্কুল কলেজৰ পাঠ্য পুথিৰ বিদ্যাৰে আজিৰ যুগত কোনো কামতে সফলতাৰে আগবাঢ়িব পৰা নাযায়। জ্ঞান আহৰণৰ আন আন দিশতো ছাত্ৰ-ছাত্ৰী সকলে সক্ৰিয় অংশ গ্ৰহণ কৰাটো উচিত। তেতিয়াহে কোনো এখন মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ শিক্ষা পূৰ্ণাঙ্গপ্ৰাপ্ত হোৱা বুলি ক'ব পাৰি আৰু তেওঁলোকে নিজকে সুনাগৰিক কৰি গঢ়ি তুলিব পাৰিব।

তৰ্ক, বক্তৃতা, কুইজ আদি প্ৰতিযোগিতা সমূহ ছাত্ৰ-ছাত্ৰী সকলৰ প্ৰতিভা বিকাশ লাভ কৰাৰ সুবিধাৰ অন্যতম মাধ্যম। তেওঁলোকৰ মানসিক উৎকৰ্ষ সাধন কৰাত এই প্ৰতিযোগিতা সমূহে যথেষ্ট অৰিহণা যোগায়। পৰিতাপৰ বিষয় বিগত বছৰবদৰে এই বাৰো মহাবিদ্যালয় সপ্তাহত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী অনুপাতে প্ৰতিযোগিতাবোৰত যোগদান কৰা প্ৰতিযোগীৰ সংখ্যা তেনেই সীমিত আছিল। এইটো অনস্বীকাৰ্য যে বৰ্ত্তমান আমাৰ দেশৰ ত্ৰুটিপূৰ্ণ শিক্ষা পদ্ধতিয়ে আৰু ছাত্ৰ-ছাত্ৰীৰ অনুসন্ধিৎসু প্ৰৱণতাৰ অভাৱে বহুক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকলক কোঙা কৰিছে। এই প্ৰতিবেদনৰ জৰিয়তে মই কাতৰ অনুৰোধ জনাও অনাগত দিনৰ সম্পাদক আৰু ছাত্ৰ-ছাত্ৰীসকলে যেন তৰ্ক, কুইজ আদিৰ নিচিনা বিষয়বোৰ আওকাণ নকৰে। তেওঁলোকৰ আন্তৰিক প্ৰচেষ্টাৰ ফলস্বৰূপে মহাবিদ্যালয় সপ্তাহ অথবা আন্ত: মহাবিদ্যালয় উপলক্ষে পতা তৰ্ক, কুইজ, মুকলি বক্তৃতা আদি প্ৰতিযোগিতা সমূহ আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ যোগদান অপৰিহাৰ্য হৈ উঠিব। আশাকৰোঁ, ছাত্ৰ-ছাত্ৰীসকলে এনে সুযোগ লবলৈ আগবাঢ়ি আহিব।

কাৰ্যভাৰ গ্ৰহণ কৰাৰ কিছুদিন পিচতে আমাৰ মহাবিদ্যালয়ত " মহাবিদ্যালয় সপ্তাহ" বৰ উলহ মালহেৰে অনুষ্ঠিত হয়। মহাবিদ্যালয় সপ্তাহত আমাৰ তৰ্ক, আকস্মিক বক্তৃতা, কবিতা আবৃত্তি (ইংৰাজী, অসমীয়া আৰু হিন্দী), কুইজ আদিৰ এলানি প্ৰতিযোগিতা পতা হয়। কিন্তু পৰিতাপৰ বিষয় এয়ে যে প্ৰতিযোগিতা সমূহত অংশগ্ৰহণ কাৰীৰ সংখ্যা নিচেই কম আছিল। অৱশ্যে কবিতা আবৃতি আৰু আকস্মিক বক্তৃতা প্ৰতিযোগিতাত প্ৰতিযোগিৰ সংখ্যা সন্তোষজনক আছিল। যি হওক ভৱিষ্যতে উক্ত প্ৰতিযোগিতা সমূহত সৰহ সংখ্যক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰিব বুলি আশা কৰোঁ। মন কৰিবলগীয়া এয়ে যে পুৰস্কাৰ পোৱাতকৈ অংশ গ্ৰহণ কৰাটোহে বেছি দৰকাৰী কথা। প্ৰতিযোগিতা সমূহত অংশ গ্ৰহণ কৰা সকলো প্ৰতিযোগিলৈ মোৰ আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিছো।

তৰ্ক বিভাগৰ সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰি থকা সময়চোৱাত অসমৰ বহুকেইখন মহাবিদ্যালয়ৰ পৰা তৰ্ক, কুইজ, আৰু মুকলি বক্তৃতা আদি প্ৰতিযোগিতাত অংশ গ্ৰহণৰ বাবে আমন্ত্ৰণী পত্ৰ পাইছিলো। কিন্তু কলেজৰ আৰ্থিক অৱস্থা

ফোন নং-৮২৩৩৩

ছাত্র একতা সভা

# জৱাহৰলাল নেহৰু মহাবিদ্যালয়, বকো

পোঃ অঃ-বকো
জিলা ঃ- কামৰূপ ( অসম)
পিন -৭৮১১২৩
স্থাপিত- ১৯৬৪

প্ৰসংগ ঃ........ তাৰিখ ...........

প্ৰতিবেদন

আৰু প্ৰতিযোগীৰ অভাৱত আমি এই আন্ত: মহাবিদ্যালয় প্ৰতিযোগিতাত অংশ গ্ৰহণ কবিব পৰা নাছিলো। তথাপি গুৱাহাটী কটন মহাবিদ্যালয়ত অনুষ্ঠিত হৈ যোৱা পবাগ কুমাব দাস সোঁৱৰণি সদৌ অসম আন্ত: মহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতাত আমাব মহাবিদ্যালব পৰা যোগদান কৰা হয়। তৰ্ক প্ৰতিযোগিতাত আমাব মহাবিদ্যালয়ব ছাত্ৰ বন্ধু তথা বছবব শ্ৰেষ্ঠ তাৰ্কিক শ্ৰীবশিষ্ঠ দেৱ শৰ্মা আৰু লগতে যোগদানকাৰী আনজন তাৰ্কিক বন্ধু শ্ৰীদধীমোহন মেধীক মই এই প্ৰতিবেদনৰ যোগেদি আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলোঁ।

মোৰ কাৰ্যকালত আলোচনা চক্ৰ আৰু অইন কোনো তেনেকুৱা বক্তৃতা মূলক কাৰ্যক্ৰম অনুষ্ঠিত কৰিব নোৱাৰাৰ বাবে মই দু:খিত। যি কি নহওক, আগলৈকে এনে ধৰণৰ প্ৰতিযোগিতা বা আলোচনা চক্ৰ আদি অনুষ্ঠিত হ'ব বুলি আশা কৰিলোঁ।

এই সময় চোৱাত কাৰ্যপৰিচালনা কৰাত দিহা পৰামৰ্শ আদি দি উপকৃত কৰা কাৰণে তৰ্ক আৰু আলোচনা চক্ৰৰ তত্ত্বাৱধায়ক অধ্যাপক শ্ৰীযুত অৰুণ চন্দ্ৰ পাটোৱাৰীদেৱলৈ মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদন কৰিছোঁ। ইয়াৰ উপৰি বিশেষ দিহা পৰামৰ্শ আগবঢ়োৱা বাবে মাননীয় উপাধ্যক্ষ শ্ৰীযুত দেৱেন্দ্ৰ নাথ শৰ্মা ছাৰ, মাননীয় লক্ষীকান্ত শৰ্মা ছাৰ আৰু লগতে আমাৰ মহাবিদ্যালয়ৰ বিজ্ঞান শাখাৰ অধ্যাপক ম:হৰিবুৰ ৰহমান ছাৰ আৰু লগতে শ্ৰীযুত বীৰেন্দ্ৰ কুমাৰ বৰ্মন ছাৰলৈ এই চেগতে কৃতজ্ঞতাৰ শৰাই আগবঢ়ালোঁ।

ইয়াৰ উপৰি মোৰ কাৰ্যকালত সহায় আগবঢ়োৱা ছাত্ৰ একতা সভাৰ সমূহ সদস্য/সদস্যা তথা আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ বন্ধু তথা ছাত্ৰী বান্ধৱী সৰ্বশ্ৰী জ্যোতি, নিৰঞ্জন, ৰাজু, আব্দুল, নলিনী, শ্যাম, বুবুল, কৌশিক, চুপাৰটিন, নিতু, সৰযু, বৰ্ণালী, মুকুতা, ৰুলী, ভণিতা, নন্দিতা, দীপা, বিতাঞ্জলি, জিতু, বন্দনা, গীতা, জোনালী, মুনা, জিনা, অপু, মমতাজ, কবিতা আৰু গীতাঞ্জলিক মোৰ আন্তৰিক ধন্যবাদ জনালোঁ। মোক বিভিন্ন ধৰণে সহায় কৰা কাৰণে শ্ৰীপদ্মধৰ কলিতা আৰু সভাদালৈ মোৰ আন্তৰিক কৃতজ্ঞতা যাচিছোঁ।

সদৌশেষত মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জনাই আৰু কাৰ্য সম্পাদন কৰোঁতে অজানিতে হোৱা ভুলৰ বাবে ক্ষমা মাগি মোৰ চমু প্ৰতিবেদন ইয়ানতে সামৰিছোঁ।

**"জয়তু জৱাহৰলাল নেহৰু মহাবিদ্যালয়"**

ধন্যবাদেৰে

সোণমণি ৰায়ন

ফোন নং-৮২৩৩৩

ছাত্র একতা সভা

জৱাহৰলাল নেহৰু মহাবিদ্যালয়, বকো

পোঃ অঃ-বকো

জিলা ঃ- কামৰূপ ( অসম)

পিন -৭৮১১২৩

স্থাপিত- ১৯৬৪

প্ৰসংগ ঃ সাংস্কৃতিক সম্পাদকৰ প্ৰতিবেদন

তাৰিখ ..........



প্ৰতিবেদনৰ আৰম্ভণিতে জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ ১৯৯৮-৯৯ ইং চনৰ ছাত্ৰ একতা সভাৰ সাংস্কৃতিক সম্পাদক হিচাপে নিৰ্বাচিত কৰি মোক মহান অনুষ্ঠানটোৰ সেৱা কৰাৰ সুযোগকণ দিয়াৰ বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীক মোৰ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

কোনো এটা জাতিৰ প্ৰাণ হ'ল সেই জাতিটোৰ কৃষ্টি সংস্কৃতি। এই কৃষ্টি সংস্কৃতি নহ'লে জাতি জীয়াই থকা অসম্ভৱ। জাতিৰ পৰিচয় তাৰ কৃষ্টি সংস্কৃতিৰ জৰিয়তে পাব পাৰি। নৃত্য, গীত,সুকুমাৰ কলা আদি জাতিৰ স্বাক্ষৰ বহনকাৰী প্ৰতীক। গতিকে ছাত্ৰ-ছাত্ৰী সকলে নিজৰ কৃষ্টি সংস্কৃতিৰ প্ৰতি সচেতন হোৱা উচিত। ছাত্ৰ অৱস্থাতে অধ্যয়নৰ উপৰিও তেওঁলোকে সংগীত চৰ্চা কৰা উচিত। বৰ্ত্তমান ইয়াক সহ পাঠ্যক্ৰমৰ অন্তৰ্ভুক্ত বুলি ধৰা হয়।

আন আন বছৰ দৰে এইবছৰো বছৰেকীয়া মহাবিদ্যালয় সপ্তাহত সাংস্কৃতিক বিভাগৰ তৰফৰ পৰা বিভিন্ন গীত-মাত, নৃত্য, একাঙ্কিকা নাট আদি প্ৰতিযোগিতা পতা হয়। প্ৰতিযোগিতাত যথেষ্ট সংখ্যক প্ৰতিযোগীয়ে অংশ গ্ৰহণ কৰি প্ৰতিযোগিতাৰ সৌষ্ঠৱ বৃদ্ধি কৰে। এই ছেগতে মই প্ৰতিযোগী সকলৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ। লগতে বিচাৰক মণ্ডলী উপস্থিত থাকি আমাৰ কাৰ্যসূচী ত্ৰুটিপূৰ্ণ নোহোৱাকৈ চলাই নিয়াৰ বাবে তেখেত সকলৈকো আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

সাংস্কৃতিক সম্পাদকৰ কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিচত মই অভাৱ অভিযোগৰ সন্মুখীন হ'ব লগা হয়। বিশেষকৈ বাদ্যযন্ত্ৰৰ ক্ষেত্ৰত অভাৱ অনুভৱ কৰোঁ। প্ৰয়োজন মতে বাদ্যযন্ত্ৰ নাই। আমাৰ কাৰ্যকালত এটা নতুনকৈ বিহু ঢোল কিনা হয় লগতে মহাবিদ্যালৰ বাদ্য যন্ত্ৰবোৰো নতুনকৈ মেৰামতি কৰা হয়।

আমাৰ কাৰ্যকালচোৱাত বিভাগীয় কামকাজত সকলো প্ৰকাৰে দিহা দি মোক সহায় কৰা বাবে ছাত্ৰ একতা সভাৰ সমূহ সদস্য-সদস্যা তথা সাংস্কৃতিক বিভাগৰ তত্ত্বাৱধায়ক অধ্যাপক মাননীয় শ্ৰীযতীন্দ্ৰ চন্দ্ৰ মেধী চাৰলৈ মোৰ ফালৰ পৰা কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। আনহাতে মোৰ কাম-কাজৰ বিভিন্ন দিশত সহায় কৰা বাবে মুন্না, কণু, শিৱানী, মণিকা, জন, নাৰায়ণ,ৰীমা, অপু, জীনা, খনিন্দ্ৰ, দীপক, মৰমী, মিণ্টু, মেঘালী, মইনা, দৰ্পনা,ৰাজা, প্ৰাঞ্জল, মণি,কাকু, জিলি আৰু ৰাজ ছেত্ৰীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

'সংসাৰ মৰুৰ মাজে গীত সৰোবৰ' সকলো দুখ- দুৰ্দশা সহিব পৰা শক্তি সংগীতে আনি দিয়ে। গতিকে পাৰ্যমানে সকলোৱে সংগীত সাধনাৰ প্ৰতি ধ্যান দিব লাগে। আমাৰ মহাবিদ্যালয়তো সংগীত চৰ্চাৰ এটি সুপৰিবেশ গঢ় লৈ উঠক ইয়াকে কামনা কৰি আৰু জ্ঞাত অজ্ঞাত সকলো ভুলৰ বাবে ক্ষমা বিচাৰি প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

"জয়তু জৱাহৰলাল নেহৰু মহাবিদ্যালয়"

"জয় আই অসম"

*ধন্যবাদেৰে-*

*বিকাশ দাস (মিণ্টু)*